


উত্তৰণ
শিৱসাগৰ ছোৱালী মহাবিদ্যালয়
শিক্ষা বিভাগ
২০১৯-২০২০ বর্ষ
সম্পাদিকা
পূজা ফুকন


DEPARTMENT OF EDUCATION
SIBSAGAR GIRLS' COLLEGE
SIBSAGAR : ASSAM





'শিৱসাগৰ ছোৱালী কলেজৰ' শিক্ষা বিভাগলৈ গৌৰৱ কঢ়িয়াই অনা সমূহ ছাত্ৰী তথা শিক্ষাগুৰু সকল আৰু আনসকল শৈক্ষিক, সামাজিক, সাংস্কৃতিক, ক্ৰীড়াৰ দিশত বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হোৱা ব্যক্তিসকলৰ নামত

'উত্তৰণ'ৰ

২০১৯-২০২০ বৰ্ষৰ প্ৰথম সংখ্যাটি

উছৰ্গা কৰিলো

# কৃতজ্ঞতা



২০১৯ – ২০২০ বৰ্ষত প্ৰথমবাৰৰ বাবে প্ৰকাশিত 'উত্তৰণ' নামৰ বিভাগীয় আলোচনীখনিৰ প্ৰস্তুতিৰ আৰম্ভণিৰে পৰা আঁত ধৰা আমাৰ শিক্ষা বিভাগৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ লগতে প্ৰাক্তন অধ্যাপিকালৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নিজ নিজ সৃষ্টিশীল চিন্তাৰে আমাৰ 'উত্তৰণ'ৰ চ'ৰা শুৱনি কৰা সকলো লেখিকালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনীখনিক সজাই তুলি এক সম্পূৰ্ণ ৰূপ দিয়াত সহায় কৰা সকলো সদস্যাবৃন্দাক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

পূজা ফুকন
সম্পাদিকা
শিৱসাগৰ ছোৱালী কলেজ
শিক্ষা বিভাগ,
২০১৯ – ২০২০ বৰ্ষ

# শুভেচ্ছাবাণী

শিৱসাগৰ ছোৱালী কলেজৰ 'শিক্ষা বিভাগৰ' ছাত্ৰী সকলে বিভাগীয় প্ৰথম বাৰ্ষিক মুখপত্ৰ আগন্তুক শিক্ষক দিৱসৰ পবিত্ৰ দিনটোতেই শুভাৰম্ভ কৰিব বিচৰাৰ বাবে অত্যন্ত সুখী হৈছো, ও এই প্ৰচেষ্টাৰ শলাগ লৈছো।

এখন কলেজ বা কলেজৰ এটা নিৰ্দিষ্ট বিভাগৰ মুখপত্ৰ খন হৈছে সেই কলেজ বা বিভাগৰ শিক্ষাৰ্থী সকলৰ অন্তৰ্নিহিত বিভিন্ন সৃষ্টিশীল প্ৰতিভা বাহিৰে বিকাশৰ স্থান এটা প্ৰচেষ্টা বা পৰিচয়। এই প্ৰচেষ্টাই বহু সময়ত শিক্ষাৰ্থী সকলৰ বহুমুখী প্ৰতিভাক পৰিস্ফুট হোৱাত উৎসাহ যোগাব পাৰে, আৰু শিক্ষাৰ্থী সকলেও উপযুক্ত অনুশীলনেৰে ভবিষ্যতে একোজন সুদক্ষ লেখক/লেখিকা ৰূপে নিজকে আত্ম-প্ৰতিষ্ঠা কৰিব পাৰে।

'উত্তৰণৰ' এই প্ৰথম প্ৰচেষ্টালৈ মোৰ আন্তৰিক শুভেচ্ছা জনালো। এই প্ৰচেষ্টা প্ৰবাহমান হওক, 'উত্তৰণ' হওক আমাৰ ছাত্ৰী সকলৰ বহুমুখী প্ৰতিভাৰ উত্তৰণৰ সাক্ষী।

মুখপত্ৰ খন হাতে-লিখি অশেষ কষ্ট কৰি পাঠক সকললৈ আগবঢ়াবলৈ লোৱা প্ৰতি গৰাকী ছাত্ৰীলৈ মোৰ অশেষ ধন্যবাদ যাচিলো।

বিভাগীয় ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ এই প্ৰচেষ্টা একান্তই প্ৰশংসনীয়। 'উত্তৰণে' আমাৰ ছাত্ৰী সকলৰ উত্তৰণৰ সকলো দিশ সামৰি লওক —— এয়ে কামনাৰে —— ।

অনু শৰ্মা,
প্ৰাক্তন মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ, শিৱসাগৰ ছোৱালী কলেজ।
২।৯।২০০৯

# শুভকামনা

শিক্ষাতত্ত্ব বিভাগৰ ছাত্ৰীসকলৰ প্ৰচেষ্টাত প্ৰকাশ হোৱা "উত্তৰণ" নামৰ হাতে লিখা আলোচনীখনৰ বাবে শুভেচ্ছা থাকিল। এই প্ৰচেষ্টা সফল হওঁক। তেওঁলোকৰ সৃষ্টিশীলতাৰ প্ৰকাশৰ থলী "উত্তৰণৰ" উত্তৰোত্তৰ উন্নতি কামনা কৰিলো। শিক্ষক দিৱসৰ শুভক্ষণত প্ৰকাশ পোৱা আলোচনীখনে শিক্ষাতত্ত্ব বিভাগলৈ এক নতুন মাত্ৰা প্ৰদান কৰিলে।

শ্ৰী দীপিকা ভট্টাচাৰ্য্য
বিভাগীয় মুৰব্বী
শিক্ষাতত্ত্ব বিভাগ
শিৱসাগৰ গোৱালী কলেজ, শিৱসাগৰ।
৫.০৯.০১৯

## শুভেচ্ছা

উত্তৰণক শুভেচ্ছা
উত্তৰণক শুভেচ্ছা

শুভেচ্ছা উত্তৰণৰ আঁৰৰ হেঁপাহবোৰক
শুভেচ্ছা উত্তৰণৰ আঁৰৰ ঘামবোৰক

এই হেঁপাহ আৰু ঘামবোৰৰ আয়ুস বাঢ়ক
নজহক-নপমক-নুটুটক কাহানিও উত্তৰণ-চেতনা
মন-মগজু জুৰি সৰ্বত্ৰ বিয়পি পৰক উত্তৰণৰ নিৰ্যাস..

শুভ কামনাৰে
বুন্টি গোঁহাই
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ
চাৰিং ছেপ্টেম্বৰ ২০১৯

# শুভকামনা

দিনাংক: ২ চেপ্তেম্বৰ ২০১৯.

শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষাতত্ত্ব বিভাগৰ ছাত্ৰীসকলৰ উদ্যোগত প্ৰথমবাৰৰ বাবে বাৰ্ষিক আলোচনী 'উত্তৰণ' প্ৰকাশ কৰিবলৈ লোৱা বুলি শুনি বিভাগৰ এগৰাকী সদস্য হিচাপে অতিশয় আনন্দিত হৈছো। আধুনিক সময়ৰ অতিশয় সুলভ ছপাসামগ্ৰীসমূহৰ বিপৰীতে ছাত্ৰীসকলে এক প্ৰকাৰ ব্যতিক্ৰমী ৰূপত সম্পূৰ্ণ হাতেলিখা আলোচনীখনত স্থান পোৱা লেখাবোৰে নিশ্চিতভাৱে; লিখোতাসকলৰ সৃষ্টিশীলতা অসীম, ৰূপত তুলি ধৰিব। সদৌ শেষত বিভাগৰ ছাত্ৰীসকলৰ প্ৰচেষ্টাক শলাগ লৈছো আৰু 'উত্তৰণ'ৰ উত্তৰোত্তৰ কামনা কৰিছো।

জুৰি গোহাঁই
সহকাৰী অধ্যাপিকা
শিক্ষাতত্ত্ব বিভাগ
শিৱসাগৰ ছোৱালী কলেজ
শিৱসাগৰ

বৰ্ণালী লহকৰ
সহকাৰী অধ্যাপিকা
শিক্ষাতত্ত্ব বিভাগ
শিৱসাগৰ ছোৱালী কলেজ,
শিৱসাগৰ।

# শুভেচ্ছা বাণী

প্ৰতি,

পূজা ফুকন

শিক্ষা বিভাগ

২৯/০৮/২০১৯

শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষা বিভাগৰ তৰফৰ পৰা অহা ইং ০৬ ছেপ্তেম্বৰ, ২০১৯ তাৰিখে প্ৰথমবাৰৰ বাবে প্ৰকাশ পাবলৈ ওলোৱা বিভাগীয় আলোচনী 'উত্তৰণ'ৰ বাবে দীৰ্ঘায়ু কামনা কৰিলো। বিভাগৰ ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা ৰাজিৰ বিকাশ ঘটোৱাত 'উত্তৰণে' বাট দেখুৱাওক। শিক্ষা বিভাগৰ এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাপে 'উত্তৰণ'ৰ জৰিয়তেই বিভাগীয় যি গৰিমা সেয়া অক্ষুন্ন হওঁক তাৰে কামনা কৰিছো। শেষত আলোচনীখনক এক সুন্দৰ ৰূপত সজাই তোলা সম্পাদিকা তথা সকলো সদস্যলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

প্ৰিয়া গগৈ

প্ৰাক্তন ছাত্ৰী

২০১৩-১৬ বৰ্ষ

# সম্পাদকীয়......

"শিক্ষাই জ্ঞান আৰু জ্ঞানেই শক্তি"

মানুহ নিজৰ ভাগ্যৰ নিৰ্মাতা। জন্মতে কোনেও ঐশ্বৰ্য্য সম্ভাৰত হাত দি নাহে। এই ঐশ্বৰ্য্য সম্ভাৰক মানুহৰ কৰ্মই মাতি আনে। এই কৰ্মৰ আহ্বানৰ যোগসূত্ৰ হৈছে পৰিশ্ৰম। যিহেতু প্ৰতি মানৱৰে আছে আৰু এই সুপ্ত প্ৰতিভাক জাগ্ৰত কৰি, কৰ্মঠ কৰি তোলে পৰিশ্ৰমে। কলেজীয়া অৱস্থাত এই সুপ্ত প্ৰতিভাসমূহ বিকাশৰ অন্যতম থলী হৈছে মহাবিদ্যালয়ৰ আলোচনীসমূহ।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজৰো পৰিৱৰ্তন হৈ আহিছে। সমাজৰ পৰিৱৰ্তনে ব্যক্তিৰ বাহ্যিক আৰু আভ্যন্তৰীণ সকলো দিশতে পৰিৱৰ্তন আনিছে। বিভিন্ন কাৰণবশতঃ এই পৰিৱৰ্তন আমাৰ সমাজলৈ আহিছে— সংস্কৃতিকৰণ, পাশ্চাত্যকৰণ, ধৰ্মীয় শিক্ষা আদিৰ বিভিন্ন কাৰকৰ হাতধৰি। সমাজৰ ভিন্ন ক্ষেত্ৰত পৰিলক্ষিত হোৱা পৰিৱৰ্তনসমূহ ক্ৰমান্বয়ে পৰিদৃশ্যমান হোৱা দেখা যায়। অতীতৰ পৰা বৰ্তমান সময়লৈকে এই পৰিৱৰ্তনে সমাজৰ ব্যক্তিৰ মানসিক চিন্তাধাৰাত নতুনত্ব আনিছে। লগতে বৰ্তমান সমাজত শিক্ষাৰ দিশত নতুনত্ব অনাত উত্তৰণে সাফল্যতা অৰ্জন কৰিছে। সেয়েহে বৰ্তমান প্ৰজন্মই উত্তৰণক বুকুত সাবটি লৈ সাগৰৰ পাৰৰ মুকুতা বুটলিবলৈ ডাগলি মেলিছে।

উত্তৰণৰ সহায়তে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাসমূহ যেনে — কবিতা, প্ৰবন্ধ, গল্প আদি বিভিন্ন সৃষ্টিশীল লেখনি প্ৰকাশ কৰি প্ৰত্যেককে উৎসাহ প্ৰদান কৰাৰ চেষ্টা কৰা হৈছে ।

গতিকে আশা কৰো যে এই "উত্তৰণৰ" সহায়তে ছাত্ৰীসকলে নিজৰ প্ৰতিভাসমূহ বিকাশ ঘটাই ভৱিষ্যতে যাতে একোগৰাকী প্ৰতিভাশালী নাৰীহৈ শিক্ষাৰ দিশলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰে ।

"শিক্ষাই আমাক জ্ঞান দিয়ে আৰু
উত্তৰণে এই জ্ঞানৰ দিশলৈ আগবঢ়াই নিয়ে ।"

এই উত্তৰণৰ কামবোৰ সুচাৰুৰূপে কৰি যোৱাত মোক আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ শিক্ষাগুৰুসকলে বহুতো দিহা পৰামৰ্শ দি সহায় কৰিছে সেয়েহে শিক্ষাগুৰুসকললৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো । লগতে মোক সহায় কৰা আৰু উত্তৰণৰ আঁৰত থকা মৰমৰ বান্ধৱীসকললৈ আৰু অনুজ সকললৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

শেষত যদি অনিচ্ছাকৃতভাৱে কিবা ভুল ভ্ৰান্তি ৰৈ গৈছে তেনেহলে সেইসমূহ গঠনমূলকভাৱে শুধৰাই দিব বুলি আশা কৰিছো ইয়াৰ লগতে মই সম্পাদকীয় লেখাৰ সামৰণি মাৰিছো ।

পূজা ফুকন
স্নাতক পঞ্চম ষাণ্মাসিক

# উত্তৰণৰ আঁৰত


উপদেষ্টা : পৰী কৰ্টকী, পল্লৱী চেতিয়া
ভাস্বতী শৰ্মা, শিৱানী গগৈ ।

সম্পাদনা : পূজা ফুকন ।

সহ সম্পাদনা : এনিশা গগৈ ।

বেটুপাত অলংকৰণ : স্মৃতা নেওগ, বৰষা দত্ত ।

অনুলিখন : ৰেখামণি দাস, নিকিতা দাস,
এনিশা গগৈ, প্ৰিয়ামণি গগৈ,
ৰিংকুমণি কলিতা, গাৰ্গী শইকীয়া
জয়শ্ৰী বুঢ়াগোঁহাই, নিকিতা চাহু,
ৰাজশ্ৰী নেওগ ।



সদস্যা : ভাস্বতী শৰ্মা, শিৱানী গগৈ,
কাৰ্লী দেউৰী, ভাগ্যশ্ৰী বৰুৱা, পৰী
কৰ্টকী, প্ৰিয়ংকা বৰঠাকুৰ, পল্লৱী চেতিয়া
ধৰিত্ৰী গগৈ, মিতুমণি বড়া, বিতুমণি মাইটি,
কাকুমণি গগৈ, পিংকি চৰেন,
জাস্মিনা তবাচ্ছুম ।

প্ৰকাশন : ০৫-০৯-২০১৯

# অনুক্রমণিকা


**প্ৰবন্ধ : ১-২৪**
* সামাজিক পৰিৱৰ্তনৰ আহিলা হিচাপে শিক্ষা
* কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষা নীতি
* value of the time never wait for anyone
* নাৰী - আজি প্ৰতিষ্ঠিত কিম্বা অৱহেলিত
* কৈশোৰ জীৱনৰ তাৎপৰ্য্যপূৰ্ণ সময়
* গ্ৰীণহাউচ প্ৰক্ৰিয়া
* জীৱনৰ পূৰ্বাচল (মোৰ আত্মপাঁখা)
* নৱপ্ৰজন্ম আৰু চছিয়েল মিডিয়া
* অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু সমাজ : এক বিহংগম দৃষ্টি
* পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ নিয়ন্ত্ৰণ
* মহৎ লোকৰ বাণী
* কুইজ (জানিব লগীয়া কথা)

**চিন্তন : ২৫-২৬**
* বৰ্তমান সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

**গল্পগুচ্ছ : ২৭-৩২**
* পাগলী
* চাৰি প্ৰহৰ

# কাব্য কানন : ৩৩-৫৫

* আহিনৰ এখন ৰঙীন ছবি
* পথাৰ
* শিৱসাগৰ গাৰ্লছ কলেজ- অন্য এক পৰিচয়
* লোহিতকৈ এন্ধাৰ ভেল
* নাৰীৰ দিনলীন
* আমবোৰ প্ৰতিজ্ঞা
* তুমি তুমি যেন কথা এটি মিঠা অনুভৱ
* মৰমৰ বিষাদৰ স্মৃতি
* শেৱালি
* কৃষকৰ সপোন
* হে শাৰদী ৰাণী
* শিক্ষক
* শিৱসাগৰ
* মা
* নাৰী
* এটি সপোন
* মা দুৰ্গা
* আগুনৰ আলা ভৰা গান
* বন্ধু
* জীৱন
* শব্দ
* আবিৰৰ স্মৃতি
* আগুনৰ বতৰ


সমাপ্ত

# সামাজিক পৰিৱৰ্তনৰ আহিলা স্বৰূপে শিক্ষা

শিক্ষাক বৰ্তমান সামাজিক পৰিৱৰ্তনৰ আহিলা স্বৰূপে বিবেচনা কৰা হয়। মানৱ সমাজৰ এটা প্ৰধান বিশেষত্ব হৈছে ই সদায় পৰিৱৰ্তনশীল আৰু বিকাশশীল। বিকাশৰ এই গতি সকলো সময়তে অব্যাহত থাকে। উন্নতিৰ পৰা অধিক উন্নতি আৰু বিকাশৰ পৰা অধিক বিকাশ সাধন হোৱাটো আমি সকলোৱে অনুভৱ কৰো। সমাজৰ এনে পৰিৱৰ্তন আৰু বিকাশ সাধন হোৱাৰ মূল মন্ত্ৰ হৈছে শিক্ষা। শিক্ষাৰ অবিহনে সামাজিক পৰিৱৰ্তন আৰু বিকাশ সম্ভৱ নহয়।

সামাজিক পৰিৱৰ্তনৰ প্ৰধান আহিলা স্বৰূপে শিক্ষাৰ প্ৰধান দুটা কাৰ্য আমাৰ চকুত পৰে। প্ৰথমতে, শিক্ষাই আমাৰ সামাজিক বংশগতি বা উত্তৰাধিকাৰী স্বৰূপে লাভ কৰা জ্ঞান, অভিজ্ঞতা সমূহ ভৱিষ্যৎ সমাজৰ বাবে সংৰক্ষণত সহায় কৰে। দ্বিতীয়তে, শিক্ষাই সমাজৰ প্ৰতিভাৱান আৰু সৃষ্টিশীল ক্ষমতা থকা লোকসকলক তেওঁলোকৰ সৃষ্টি ক্ষমতা বিকাশত সহায় কৰে আৰু নতুন সৃষ্টি আৰু উদ্ভাৱন সম্ভৱ কৰি তোলে। ফলত সমাজৰ পৰিৱৰ্তন আৰু বিকাশ সাধন শিক্ষাই সংঘটিত কৰি তুলিব পাৰে।

শিক্ষাৰ যোগেদি মানুহে ভাল - বেয়া, ভুল - শুদ্ধ, উচিত - অনুচিত আদি বিচাৰ কৰিব পাৰে। সেইবাবে অতীতৰ কোনবোৰ উপাদান সমাজৰ তথা আমাৰ ভৱিষ্যতৰ বাবে প্ৰয়োজন আৰু কোনবোৰ উপাদান প্ৰয়োজন নহয় তাক শিক্ষাইহে মানুহৰ মনত জগাই তোলে। অৰ্থাৎ শিক্ষাই সমাজৰ কল্যাণ সাধন কৰে।


শিক্ষাৰ যোগেদি মানুহৰ সৃজনাত্মক ক্ষমতাৰ বিকাশ সাধন হয়। শিক্ষাই সৃষ্টিশীল লোকসকলৰ অন্তৰ্নিহিত প্ৰতিভাৰ বিকাশ সাধন কৰি নতুন ভাৱধাৰা, চিন্তাধাৰা আৰু উদ্ভাৱন

(২)

কাৰ্য সংঘটিত কৰি তোলে। সমাজৰ সৰ্বসাধাৰণ লোকে তাক গ্ৰহণ কৰি উক্ত লোকৰ সামাজিক জীৱন পৰিৱৰ্তন আৰু বিকাশ সাধন সুনিশ্চিত কৰি তোলে।

শিক্ষাৰ অবিহনে যেমন সমাজৰ উন্নতিৰ বিষয়ে কল্পনা কৰিব নোৱাৰি। যিহেতু, শিক্ষা হৈছে প্ৰতিজন ব্যক্তি তথা যেমন সমাজৰ মূল অলংকাৰ। অৰ্থাৎ সমাজৰ বিকাশ আৰু পৰিৱৰ্তনৰ প্ৰধান আহিলা হৈছে শিক্ষা।

পূজামণি চেতিয়া
স্নাতক তৃতীয় ষাণ্মাসিক



# কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষানীতি

শ্ৰীমতী প্ৰেমৱতী শৰ্মা
স্নাতক পঞ্চম ষান্মাসিক

বৰ্তমান যুগটো আধুনিক আৰু প্ৰতিযোগিতাৰ যুগ। সময় যিমানেই পৰিবৰ্তনশীলভাৱে গতি কৰিছে সিৰ তেনেদৰেই আমাৰ পৃথিৱীখনো বৰ্তমানৰ লগত খাপ খোৱাকৈ আগবাঢ়ি গৈছে। আমি সকলো জ্ঞাত যে, আমাৰ জীৱনৰ কাৰণে শিক্ষা কিমান প্ৰয়োজনীয়। শিক্ষাক জীৱনৰ এক মাধ্যম হিচাপে লৈ আমি বহু নতুন কথা জানিব পাৰো যা নেদেখা বস্তু চাবলৈ ইচ্ছা কৰো। বৰ্তমান প্ৰতিযোগিতামুখী যুগৰ লগত খাপ খোৱাব পৰাকৈ উচ্চ শিক্ষাৰে শিক্ষিত হ'বৰ বাবে আমি এখন ভাল বিশ্ববিদ্যালয়ত নিজৰ নাম ভৰ্তি কৰাৰ প্ৰয়াস কৰো। বৰ্তমান শিক্ষা ব্যৱস্থা ইমান দ্ৰুত গতিত আগবাঢ়ি গৈছে যে আমি এই প্ৰতিযোগিতাত প্ৰতিদিনে প্ৰতি মুহূৰ্ততে নামি পৰিছো। ইয়াৰ এক উৎকৃষ্ট নমুনা দেখিবলৈ পাওঁ। সৌ সিদিনা নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন চৰকাৰে ঘোষণা ২০১৯ বৰ্ষৰ নতুন শিক্ষা নীতিৰ জৰিয়তে।

এই চৰকাৰখনে সমগ্ৰ দেশতে এক বিশেষ শিক্ষানীতি প্ৰৱৰ্তনৰ পদক্ষেপ হাতত লয়। সেই মৰ্মে ড° কস্তুৰীৰংগনৰ অধ্যক্ষতাত আৰু মানৱ সম্পদ উন্নয়ন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী ৰমেশ পোখৰিয়াল নিশংকৰ হাতত কমিটিয়ে নতুন খচৰা ৰাষ্ট্ৰীয় শিক্ষানীতি ২০১৯ অৰ্পন কৰে।

নতুন শিক্ষানীতিত পূৰ্বৰ ১০+২ বৰ্ষৰ বিলুপ্তি ঘটাই প্ৰৱৰ্তন কৰা হ'ব ৫+৩+৩+৪ শিক্ষাবৰ্ষ। উচ্চ মাধ্যমিকৰ উচ্চতৰ মাধ্যমিকৰ লৈতে একত্ৰিত কৰা হ'ব। নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ মুঠ ৮ টা ষান্মাসিক থাকিব। গুৰুত্বপূৰ্ণ কথাটো হ'ল যে, এই শিক্ষানীতিৰ জৰিয়তে শিক্ষাৰ অধিকাৰ আইন ১৮ বছৰলৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ওপৰিও পাঠ্যক্ৰমৰ অধিকতৰ বোধ কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ কলা, সংগীত, ক্ৰীড়া, হস্তকলা, যোগ বিষয়ত বিকাশ ঘটোৱাৰ উদ্দেশ্যেই এইসমূহ প্ৰত্যক্ষ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ বাবেও বিশেষ পদক্ষেপ লোৱা হৈছে।

উল্লেখনীয় যে এই শিক্ষানীতিত মেট্রিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ব্যৱস্থা নাথাকিব। স্কুল পৰ্যায়ত ৩টা ভাষাত থাকিব। সেইকেইটা হ'ল : হিন্দী, ইংৰাজী আৰু আঞ্চলিক ভাষা। শিক্ষক প্ৰশিক্ষণৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱাৰ লগতে বি. এড ডিগ্ৰী সকলো শিক্ষকৰ বাবে ন্যূনতম অৰ্হতা হিচাপে গণ্য কৰিছে এই শিক্ষা নীতিয়ে। এই শিক্ষানীতিয়ে U.G.C.ক "হায়াৰ এডুকেশ্যন গ্ৰাণ্টচ্ কমিচন" হিচাপে গঠন কৰাৰ বাবে বিশেষ পদক্ষেপ লৈছে। U.G.C.য়ে চি.বি.চি.এচ (CBCS) অৰ্থাৎ "Choice based Credit System." গ্ৰহণ কৰি লৈছে। য'ত ছাত্ৰ-ছাত্ৰী নিৰ্ধাৰিত পাঠ্যসূচী স্বৰূপে নিজৰ পাঠ্যক্ৰম নিজৰ মনৰ অনুসৰি বাচি ল'ব পাৰে আৰু নিজৰ মতে শিকিবও পাৰে। যাৰ দ্বাৰা তেওঁলোকে আগ্ৰহ থকা বিষয়বোৰৰ ওপৰত গুৰুত্ব দি প্ৰশিক্ষণ ল'ব পাৰে। CBCS ৰ দ্বাৰা শ্ৰেণীভিত্তিক ফলাফল পোৱা যায়। এই প্ৰণালীটো বিশ্বায়নৰ দ্বাৰা কৰা যায়। UGCয়ে এই CBCS প্ৰণালীটো আকোৱালি লোৱাৰ মূল উদ্দেশ্য হৈছে যাতে ছাত্ৰ-ছাত্ৰীয়ে দেশ-বিদেশৰ উচ্চ শিক্ষাৰ বিকাশৰ লগে লগে আগুৱাই যাব পাৰে। ইয়াৰ দ্বাৰা এজন ছাত্ৰৰ বা এগৰাকী ছাত্ৰীৰ যিকোনো শিক্ষানুষ্ঠানলৈ বদলি সহজে হ'ব আৰু শিক্ষা গ্ৰহণ কৰিব পাৰে লগতে তেওঁ অৰ্জন কৰা যোগ্যতাসমূহো স্থানান্তৰিত হৈ যায়।

এই নতুন শিক্ষানীতিখনে যাতে সমগ্ৰ দেশৰ জনসাধাৰণৰ মংগল সাধন কৰে আৰু শিক্ষাব্যৱস্থাক উন্নতৰ পৰা অতি উন্নত পৰ্যায়লৈ নিব পাৰে ইয়াৰে মই আশা ৰাখিছো। যিহেতো প্ৰত্যেকটো বিষয়ৰে ইতিবাচক আৰু নেতিবাচক দুটা দিশ থাকে। সেয়েহে সকলো জনসাধাৰণে ইয়াৰ ইতিবাচক দিশসমূহ গ্ৰহণ কৰি এই নীতি সঠিকভাৱে ফলপ্ৰসূ হোৱাত সহায়ৰ হাত আগবঢ়াওক।

# Value Of The Time Never Wait For Anyone

Time is very Precious to all of us. We should know the value of time and respect the importance of time every single moment. We should not waste time at all till the end moment of our life.

Time is Priceless to everyone. Time is free to all, however, no ~~one can buy it~~ or sell it. Time is the most valuable things on this Earth. Nothing canbe compared with it. Once it goes, never comes back. It always runs in forward direction and not in backward direction. Everythings in this world depend on time.

Time is more precious than money as money spent can be earned again. However once time spent can never be earned. There is common saying that 'Time and tide wait for none.' It is true as existence of life on earth. Time runs Continuously without stoppage. It never waits for anyone. so, we should never spent our precious and priceless time without purpose and meaning at any stage of life. We should be very punctual according to the time and do our all work in time. We should learn that regularity and Continuity. We always try to go with time side by side to get real success in life. There is saying

that if we ruins the time, it ruins us and our life. We should understand that value of time and go with it because time never stays for anyone.

Diskha Yesmin.
B.A 1st Semester.

* * * * *


## General Knowledge

1. Who has been appointed as the new chairman of the Central Board of Indirect taxes and Customs?
⇒ S. Ramesh

2. India's first-ever national police museum will be established in which city?
⇒ Delhi

3. Which country's women cricket team has clinched the Asia Cup Twenty-20 tournament 2018?
⇒ Bangladesh

# নাৰী — আমি এতিয়াও কিয় অৱহেলিত



নাৰীয়ে বাৰু কিয় ইমান যন্ত্ৰণা ভুগিব লাগে ? আজিৰ এই বৈজ্ঞানিক শিক্ষিত দিনটো কিয় নাৰীক ইমান যন্ত্ৰণা দিয়া হয় । নাৰী ইমানেই মূল্যহীন নে ?

এজনী নাৰী দেৱীৰ দৰে হয় । জন্ম দিয়া মাক দেউতাকক এৰি বহু আশাৰে এজনী ছোৱালী আন এখন ঘৰলৈ যায় । সেইখন তাইৰ নিজৰ আপোন ঘৰ বুলি কয় । কিন্তু যৌতুক আনিব নোৱাৰাৰ বাবে নাইবা ঘৰৰ শাহু শহুৰেকক সন্তুষ্ট কৰিব নোৱাৰিলে তাইক শাস্তি প্ৰদান কৰা হয় নাইবা হত্যা কৰা হয় ।

আজিৰ দিনত এজনী ছোৱালী ৰাতি হ'লে বাহিৰলৈ অকলাই যাব নোৱাৰে । ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ থাকিব লগা হয় । অকলশৰে অকলাই যাবলৈ ভয় হয় জানোচা কৰবাত বিপদ হৈ যায় , আজিৰ সমাজখনত কোনো এজনী ছোৱালী স্বাধীনভাৱে অকলাই যাব নোৱাৰে । বহুতো নাৰীক ডাইনী সাজি হত্যা কৰা হয়, শিশুৰ পৰা কিশোৰীলৈকে একাংশ ধৰ্ষণকাৰীয়ে নিৰ্মমভাৱে ধ্বংস কৰে । কিয় হয় এনেকুৱা ? আধুনিক এই শিক্ষাৰ যোগতো কিয় এজনী ছোৱালীয়ে শান্তিৰে থাকিব নোৱাৰে । প্ৰতিটো খোজতে আমি ভয় ভাব লৈ থাকিব লাগে ।

আমাৰ সমাজত আজিও বহুলোক অন্ধবিশ্বাসত আবদ্ধ হৈ আছে । লৰাবোৰক এতিয়াও উচ্চস্থানত ৰখা হৈছে । এতিয়াও বহুলোকে ছোৱালী এজনীক বোজা বুলি ভাবে আৰু বহুতে গৰ্ভতে হত্যা কৰি পেলায় । কিন্তু, তেঁওলোকে এবাৰ ভাবি চাই নে সেই শিশুটোক কিয়, কি দোষৰ কাৰণে হত্যা কৰিলে ? এই এজনী ছোৱালী হোৱাৰ বাবে তাইৰ দোষ নেকি ? কিয় তেঁওলোকে লৰা ছোৱালী সমান বুলি ভাবিব নোৱাৰে ।

আমি যদি সকলোৱে লৰা ছোৱালীক সমান দৃষ্টিৰে চাঁও তেন্তে আমি

সকলোৰেৰ সুন্দৰভাৱে দেখা পায় । কাৰণ এজনী ছোৱালীও এটা ল'ৰাতকৈ কম নহয় । সেয়ে মই ভাবো নাৰীক অলপ হলেও সন্মান কৰিবলৈ শিকক । কাৰণ নাৰী নহলে এই পৃথিৱীখনৰ কোনো মূল্য নাথাকিব । কাৰণ এজনী নাৰীয়েহে এখন ঘৰক এটা মন্দিৰ ৰূপত গঢ়ি তোলে । সেয়েহে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল — "এজন ব্যক্তি শিক্ষিত হলে কেৱল সেই ব্যক্তিজনহে শিক্ষিত হয়, কিন্তু এগৰাকী নাৰী শিক্ষিত হলে এখন সমাজ শিক্ষিত হয় ।।"

প্ৰিয়ামণি গগৈ

তৃতীয় ষান্মাষিক ।



# কৈশোৰ জীৱনৰ তাৎপৰ্য্যপূৰ্ণ সময়

- পৰী কটকী -
পঞ্চম ষাণ্মাষিক

মানৱ জীৱনৰ আটাইতকৈ তাৎপৰ্য্যপূৰ্ণ সময় হ'ল কৈশোৰ কাল। কবিৰ ভাষাত কৈশোৰ কাল মানৱ জীৱনৰ বসন্ত কাল। প্ৰকৃতিৰ বসন্তকালত গছে গছে নতুন পাতেৰে সুশোভিত হৈ পৰাৰ দৰে মানৱ জীৱনতো কৈশোৰ কালত শাৰীৰিক, মানসিক সামাজিক আৰু নৈতিক দিশৰ আভিনৱত্ব সৃষ্টি হয়। এই সময়ছোৱাক জীৱনৰ জটিল সময় বুলি গণ্য কৰা হয়। কিয়নো এই সময়ত লৰাই বীৰ্য ধাৰণ ক্ষমতা লাভ কৰে আৰু ছোৱালী প্ৰথম ঋতুমতী হয়। জনন সামৰ্থৰ বিকাশ এই কালৰ প্ৰধান বৈশিষ্ট্য। এই সময়ত কিশোৰ কিশোৰীসকলে পৃথিৱীখনক কেতিয়াবা খুউব ধুনীয়া, আনন্দদায়ক সুন্দৰভাবে পৰিপূৰ্ণ; ৰঙে ৰূপে পৰিপূৰ্ণ গোলাকাৰ স্বৰ্গ বুলি ভাবে। কেতিয়াবা আকৌ জীৱনটোক কাইটীয়া জলা যন্ত্ৰণা বুলি ভাবি বিপথগামীও হোৱা দেখা যায়।

সোণালী শৈশৱ কালৰ সহজ সৰল পৰিৱৰ্তনৰ পৰিৱৰ্তে কৈশোৰ কালত সন্মুখীন হয় শাৰীৰিক, মানসিক আৱেগিক, সামাজিক, নৈতিক আদি সকলো ক্ষেত্ৰতে জটিল পৰিৱৰ্তনৰ। এনে পৰিৱৰ্তন প্ৰকৃতিৰ নিয়মানুবৰ্তী আৰু অনিবাৰ্য্য যদিও ইয়াৰ তীব্ৰতা আৰু ব্যাপকতা শিক্ষিত,

নীতি-নিষ্ঠা আৰু সংস্কৃতি পাহাৰন সমাজৰ লোকে-
সহজে গ্ৰহণ কৰিব নোৱাৰে। সেয়েহে কৈশোৰ কাল-
ছোৱালা-ছেনালি হলে-উৎপীড়ন আৰু কষ্টৰ সময় বুলি
কৈছে। এই সময়ত লৰা-ছোৱালী দ্ৰুত আৰু বহু-
মুখী বিকাশ সাধন হয়। এই দ্ৰুত গতিৰ পৰিৱৰ্তন
সমূহ নিয়ন্ত্ৰণ কৰিবলৈ অনুকূল পৰিৱেশ আৰু-
উপযুক্ত শিক্ষাৰ নিতান্তই আৱশ্যক। সেয়েহে, কিশোৰ
কিশোৰীসকলক ভৱিষ্যতে বাস্তৱ পৰিস্থিতিত নিজকে
সমযোজন কৰি চলিবৰ বাবে প্ৰয়োজন হোৱা সকলো
মানসিক শক্তি ক্ষমতা বা শক্তিক প্ৰশিক্ষণৰ যোগেদি
বিকাশাই তুলিব লাগে। তদুপৰি এই কালছোৱাত সামাজিক
দায়িত্ববোধ আৰু সমাজ সচেতনতাৰ ভাৱ প্ৰবল হয়-
যাৰ ফলত কিশোৰ কিশোৰীসকলে সামাজিক স্বীকৃতি
আৰু প্ৰশংসা লাভৰ বাবে আগ্ৰহী হৈ উঠে। আনহাতে
যৌৱন কালৰ প্ৰয়োজন পূৰণত বাধাগ্ৰস্থ অথবা পৰিৱেশ
আৰু পৰিস্থিতি আদি প্ৰতিকূল হৈ উঠিলে কিশোৰ-
কিশোৰীৰ জীৱন সমস্যা জৰ্জৰিত আৰু জটিল হৈ উঠে।

কিশোৰ কালৰ আন এক সমস্যা হ'ল
অপৰাধ প্ৰৱণতা, কিশোৰ কিশোৰীসকলৰ মাজত
শাৰীৰিক, মানসিক, আৱেগিক নিৰাপত্তাহীনতাই-
দেখা দিয়ে, কেতিয়াবা কেতিয়াবা নিজৰ আৱেগক
দমন কৰিব নোৱাৰি তেওঁলোক নিৰাশবাদী হৈ উঠে।
অসামাজিক কাৰ্য্যকলাপ কৰিবলৈ উদ্যম হৈ উঠে।

কাম, ক্ৰোধ, মোহ, লোভ, হিংসা আদিক দমন কৰিবলৈ যাঁওতে বিভিন্ন ধৰণৰ অসামাজিক কাৰ্যকলাপ যেনে : হত্যা, ধৰ্ষণ, লুন্থন আদি কৰিবলৈ কুণ্ঠাবোধ নকৰে।

বিভিন্ন ধৰণৰ সমস্যাৰে পৰিপ্লুত হৈ থকা কৈশোৰ কালৰ বাবে মাধ্যমিক শিক্ষা অতি গুৰুত্বপূৰ্ণ। কিয়নো মাধ্যমিক শিক্ষাৰ জৰিয়তে এটা জাতিৰ লক্ষ্য আৰু আদৰ্শ উপলব্ধি কৰিব পাৰে। এবেশ শতিকাৰ শিক্ষাৰ বাবে গঠিত হোৱা আন্ত ৰাষ্ট্ৰীয় শিক্ষা আয়োগে (১৯৯৬) মাধ্যমিক শিক্ষাক জীৱনৰ আলি কেকুৰি বুলি অভিহিত কৰিছে, যত ভৱিষ্যত জীৱনৰ অতি লাগতিয়াল সমলসমূহ আহৰণ কৰিব পাৰে আৰু যোগ্যতা অভিৰুচি অনুসৰি নিজস্ব পথেদি জীৱনৰ বাটত আগবাঢ়ি যাব পাৰে। কিয়নো শিক্ষা হ'ল সমাজ পৰিবৰ্তনৰ এক উল্লেখযোগ্য আহিলা।

মাধ্যমিক শিক্ষা এনেদৰে সংগঠিত হোৱা আৱশ্যক যি শিক্ষা ব্যৱস্থাই কিশোৰ কিশোৰীৰ শাৰীৰিক, মানসিক, আৱেগিক, সামাজিক, নৈতিক আদি সকলো দিশতে উৎকৰ্ষ সাধন কৰাৰ নিৰ্দেশনা দি গণতান্ত্ৰিক ভাৱধাৰাকো প্ৰভাৱিত কৰি দেশৰ সু-নাগৰিক হিচাপে তেওঁলোকক গঢ় দি তুলিব পৰা যায়।

মাধ্যমিক শিক্ষাৰ অন্ত পৰাৰ লগে লগে যাতে যুৱকসকলে সমাজৰ নেতৃত্ব দিব পাৰে। তাৰ বাবেই কৈশোৰ কালছোৱাত উপযুক্ত শিক্ষা দিব লাগে। যিহেতু এখন দেশৰ সকলো আশা আকাংক্ষা আৰু উন্নতি কিশোৰ কিশোৰীসকলৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে কিশোৰ-কিশোৰীক ব্যক্তিত্ব বিকাশৰ শিক্ষা দি কিশোৰ কালছোৱাত একক উদ্দেশ্য সফল কৰাৰ ওপৰত চেষ্টা কৰিলেহে প্ৰকৃত শিক্ষাৰ উদ্দেশ্যত উপনীত হ'ব পৰা যায়॥



# গ্ৰীনহাউচ প্ৰক্ৰিয়া

শ্ৰী পাপৰী শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক

সূৰ্যক প্ৰদক্ষিণ কৰোঁতে পৃথিৱীৰ অক্ষই কক্ষতলৰ লগত কৰা কোণ আৰু কক্ষপথৰ পৰিৱৰ্তনৰ প্ৰভাৱত পৃথিৱীৰ উষ্ণতাচক্ৰ নিৰ্ভৰশীল। ইয়াৰ ফলতে পৃথিৱী পৃষ্ঠত একলাখ বছৰজোৰা হিমযুগৰ সৃষ্টি হৈছিল। তাৰ পাছতে আৰম্ভ হৈছিল ১০,০০০ৰ পৰা ২০,০০০ বছৰজোৰা এক উষ্ণযুগ। এই উষ্ণ যুগকে 'গ্ৰীনহাউচ যুগ' বুলিও কোৱা হয়। গণনামতে আমি এক উষ্ণ যুগৰ অন্তিম অৱস্থাত বসবাস কৰিছোঁ। বিজ্ঞানীসকলৰ মতে পৃথিৱীৰ বৰ্তমানৰ যি গোলকীয় উষ্ণতা বৃদ্ধি হৈছে, ই কেৱল প্ৰাকৃতিক উষ্ণতাচক্ৰৰ বাবে হোৱা নাই, বৰঞ্চ মানৱ সভ্যতাৰ বিকাশৰ লগে লগে হোৱা মানুহৰ কাৰ্যৰ ফলতহে হৈছে।

১৮২৪ চনতে জোছেফ ফৰিয়াৰ নামৰ বিজ্ঞানীজনে গ্ৰীনহাউচ প্ৰক্ৰিয়া প্ৰথমে অনুধাৱন কৰিছিল। গ্ৰীনহাউচ প্ৰক্ৰিয়াৰ বাবেই পৃথিৱীত এক সুস্থিৰ উষ্ণতা বিৰাজ কৰে। গ্ৰীনহাউচ গেছসমূহ বায়ুমণ্ডলত নথকা হ'লে পৃথিৱীখন জীৱৰ বসবাসৰ উপযোগী হৈ নাথাকিলহেঁতেন। কিন্তু কালক্ৰমত মানুহৰ কাৰ্যকলাপৰ ফলত বায়ুমণ্ডলত গ্ৰীনহাউচৰ গেছসমূহৰ অত্যাধিক মাত্ৰাত বৃদ্ধি হোৱাটো উদ্বেগৰ কাৰণ হৈ পৰিছে।

পৃথিৱীৰ আৱিৰ্ভাৱত থকা মূল গ্ৰীনহাউচ গেছসমূহ হ'ল — পানীৰ বাষ্প, কাৰ্বন-ডাই-অক্সাইড, মিথেন আৰু অ'জন গেছ। বৰফৰ মাজত তাহানিখনতে আবদ্ধ হৈ থকা বায়ুৰ বুৰবুৰণি অধ্যয়ন কৰি জনা যায় যে পৃথিৱীৰ বায়ুমণ্ডলত এই গেছসমূহৰ পৰিমাণ পৃথিৱীৰ ইতিহাসৰ যিকোনো সময়তকৈ যোৱা ৬,৫০,০০০ বছৰত বহুখিনি বাঢ়িছে। মানুহে যোৱা বিশ বছৰত জীৱাশ্ম ইন্ধন জ্বলাই বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ তিনি চতুৰ্থাংশ বৃদ্ধি কৰিছে। মানুহে যোৱা বিশ বছৰত জীৱাশ্ম ইন্ধন জ্বলাই বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ ৩৮-৩৩ লক্ষাংশ। ব্যাপক পশুপালন লগতে ক্ৰমাগত উষ্ণতা বৃদ্ধিৰ বাবে চাইবেৰিয়াৰ মাটি সিহলি বৰফ 'পাৰমাফ্ৰষ্ট'ৰ বিগলনৰ পৰা নিৰ্গত হোৱা

মিথেন গেছৰ পৰিমাণ বায়ুমণ্ডলত বহু পৰিমাণে বৃদ্ধি পাইছে।

বায়ুমণ্ডলত বৃদ্ধি পোৱা গ্ৰীনহাউছ গেছ বৃদ্ধিৰ লগে লগে পৃথিৱী পৃষ্ঠ তথা বায়ুমণ্ডল উত্তপ্ত হয় আৰু ফলস্বৰূপে মেৰু অঞ্চলৰ বৰফ গলে। বৰফ গলাৰ লগে লগে তাৰ ঠাই লয় স্থল আৰু জলপৃষ্ঠই। বৰফতকৈ পানী আৰু মাটিয়ে অধিক শক্তি শোষণ কৰে। এনে শক্তিৰ শোষণেও উষ্ণতা বৃদ্ধিত সহায় কৰে।

সৌৰবিকিৰণৰ পৰিবৰ্তনৰ আলসলনিয়েও গোলকীয় উষ্ণতা বৃদ্ধিত সহায় কৰে। সৌৰ সক্ৰিয়তাই উৰ্চ ক্ৰিয়েৰ অঞ্চল উত্তপ্ত কৰে। আগ্নেয়গিৰি উদ্গীৰণেও বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিত অৰিহণা যোগায়। তদুপৰি বিদ্যুৎ উৎপাদন কেন্দ্ৰত হোৱা জীৱাশ্ম ইন্ধনৰ দহন, গাড়ী-মটৰৰ ইন্ধনত দহনৰ দ্বাৰা উৎপন্ন ধোঁৱাই বায়ুত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বঢ়ায়।

মানৱসৃষ্ট আন আন গ্ৰীনহাউছ গেছসমূহ হ'ল নাইট্ৰাছ অক্সাইড, CFC-ৰ যৌগসমূহ। CFC-সমূহৰ বাদে পানীৰ বাষ্প, কাৰ্বন-ডাই-অক্সাইড, মিথেন, অজন প্ৰাকৃতিকভাৱে বায়ুমণ্ডলত পোৱা যায় আৰু বায়ুমণ্ডলৰ প্ৰায় ১% প্ৰাকৃতিকভাৱে পোৱা গ্ৰীনহাউছ গেছে সূৰ্যৰ পৰা অতিবেঙুনীয়া ৰশ্মি শোষণ কৰি অৱলোহিত তাপ ৰশ্মি বিকিৰণ কৰে আৰু জীৱজগতৰ অনুকূল উষ্ণতা বৰ্তন ৰাখে।

গ্ৰীনহাউছ প্ৰক্ৰিয়া এক স্বাভাৱিক পৰিঘটনা। কিন্তু মানুহৰ কাৰ্যকলাপৰ বাবে গ্ৰীনহাউছ গেছসমূহৰ পৰিমাণ বাঢ়ি গৈ গোলকীয় উষ্ণতাৰ সৃষ্টি কৰিছে। এই সমস্যা সমাধানৰ বাবে নিৰ্গত গ্ৰীনহাউছ গেছৰ পৰিমাণ নিয়ন্ত্ৰণ কৰিব লাগিব। এয়া সম্ভৱ হ'ব যদিহে দক্ষ দহন ব্যৱস্থা থকা প্ৰযুক্তিৰ উদ্ভাৱন ঘটে। শক্তি উৎপাদনৰ বাবে সৌৰশক্তি, বায়ুশক্তি আদি ব্যৱহাৰ কৰিব লাগিব। গছ-গছনি ধ্বংস ৰোধ কৰি ব্যাপক বনানীকৰণৰ ব্যৱস্থা ল'ব লাগিব। কিয়নো উদ্ভিদে বহুখিনি কাৰ্বন শোষণ কৰে।

মানৱজাতিৰ বাবে বসবাসৰ স্থল মাথোঁ এই পৃথিৱীখন। পৃথিৱীৰ ওপৰতে আমি সকলো নিৰ্ভৰশীল। গতিকে পৃথিৱীখন সযতনে ৰখা আমাৰ সকলোৰে কাম্য।

# জীৱনৰ পূৰ্বাচল (মোৰ আত্মগাঁথা)

জয়শ্ৰী বৰগোঁহাই
তৃতীয় ষান্মাসিক

ইমান দিনে মোৰ বুকুৰ মাজত নিশকে শুই আছিল আশাৰ নিমগ্নতা। কিন্তু আজি হঠাৎ যাব পাই মোক জোকাৰি গ'ল চকুৰ পানীয়ে নিজকে তিয়াই বিলীন কৰি দিলো ধূসৰিত স্মৃতিবোৰৰ মাজত কোনেও ক'ব নোৱাৰাকৈ কটাইছিলো মই সেই অশান্ত সময়বোৰ। কিন্তু কিবা এটা পোৱাৰ আশাত মই আইৰ বুকুৰ মাজত খুকি খুকি সোমাইছিলো কিন্তু আই মোক কেতিয়াও নিৰাশ কৰা নাছিল কাৰণ আইও ধূসৰিত স্মৃতিবোৰৰ সৈতে এদিন খেলিব লগা হৈছিল।

আই মোক ক'লে জীৱনটোক নতুনকৈ ভাল পাবলৈ শিকচোন, ইয়াতেই পাবি তই অনাবিল সুখ। আশাবোৰ সিঁচি দে তোৰ জীৱনৰ দলিচাখনত গজালি মেলিব পূৰ্ণ হ'ব সাৰ্থকৰ বীজেৰে। আমাৰ বাবে সদায় সপোনবোৰে দিঠক হৈ অপেক্ষা কৰে।

জীৱনটো অনেকুৱাই অ' কাৰোবাক হঁহুৱাই কাৰোবাক কন্দোৱাই মন বেদনাৰে উপচাই তোলে নোপোৱাৰ দুখত, পাই হেৰুৱাৰ ভয়ত সেইকাৰণে জীৱনটোত কেৱল যুঁজ দি যাবি, চাবি এদিন সফল হ'বি।

কিন্তু .....................

মোৰ হৃদয়খন এখন বোৱতী নৈ এৰি অহা স্মৃতিবোৰ তাৰেই এটি সুঁতি। এই সুঁতিৰ লগতে মই সদায় খেলি আছো ধূসৰ স্মৃতিবোৰৰ লগতে কথা পাতি। ধূসৰ জীৱনত আঁকি আছে ছবিবোৰ। হৃদয় নামৰ বোৱতী নৈ খন হয়তো বৈ আছে আৰু বৈয়ে থাকিব হয়তো ক্লান্ত নহয় কেতিয়াও স্মৃতিবোৰ ৰোমন্থন কৰি....

# নৱ প্ৰজন্ম আৰু চচিয়েল মেডিয়া

ৰাজশ্ৰী নেওগ
তৃতীয় ষাণ্মাসিক

নিত্য গতিত পৰিৱৰ্তিত এই সমাজক এক যোগাত্মক আৰু সুস্থিৰ অৱস্থালৈ আনিবলৈ প্ৰয়োজন সুস্থ বিৱৰ্তনকামী ন চিন্তাৰ। এই ক্ষেত্ৰত আমাৰ মাজত প্ৰভাৱ পেলোৱা সৰ্বাতোকৈ গুৰুত্বপূৰ্ণ দিশ হৈছে চচিয়েল মেডিয়া। দিনৰ দিনটো চচিয়েল মেডিয়াত অব্যাহত থকাটো হয়তো অভ্যাস হৈ পৰিছিল বহুতৰ বাবেই তেতিয়া হয়তো শুনিবলৈ পোৱা গৈছিল অভিভাৱকৰ গালি কিন্তু সেই গালিৰ হয়তো মুক্তিও নথকা নহয়। ম'বাইলত দিনটো ফেচবুক হোৱাটছ এপ কৰি সময় অতিবাহিত কৰাটো নিচা হৈ পৰিছিল বহুতৰ বাবে। কিন্তু ইয়াৰ মাজতে প্ৰভাৱ পেলাইছে হয়তো বহুতো উচিত চিন্তাধাৰাই। বৰ্তমান সময়ৰ নৱ প্ৰজন্ম বহু আগবঢ়া সময়ে হয়তো বাধ্য দি লোৱাৰে তেওঁলোকক। বৰ্তমান সময়ত সময়তকৈ হয়তো সকলো আগবঢ়া সেয়েহে গল্প, প্ৰবন্ধ, কবিতা, কবি সাহিত্যিকৰ ৰচনা এইসমূহ প্ৰকাশিত হৈছে ফেচবুক, হোৱাটছএপ আদিসমূহত যিহেতু এইসমূহে আকৰ্ষিত কৰিছে নৱপ্ৰজন্মক এইসমূহৰ লগতে সময়ৰ লগত সংগতি ৰাখি সকলোতে চলি থকা ৰাজনৈতিক, সামাজিক অৰ্থনৈতিক আদি সকলো দিশৰ খবৰ প্ৰদান কৰাত সক্ষম হৈছে এই সামাজিক মাধ্যমসমূহ হোৱাটছএপ, ফেকবুকত ভাইৰেল হোৱা ভিডিঅ'ত এতিয়া খবৰ গাঁৱে ভূঞে এই মাধ্যমৰ জৰিয়তে সৃষ্টি হৈছে এজাক প্ৰহৰীৰ। সকলো বিষয়ৰ ইতিবাচক নেতিবাচক দিশ আছে কি মানসিকতাৰে তাৰ ব্যৱহাৰ হৈছে হয়তো সেয়া আমাৰ বাবে গুৰুত্বপূৰ্ণ বিষয়। নৱ প্ৰজন্মই কেৱল সময় কটোৱাৰ আহিলা হিচাপে লোৱা নাই এই মাধ্যমসমূহক। ইয়াৰ ব্যৱহাৰ হৈছে জ্ঞান অন্বেষণ আহিলা হিচাপে সাহিত্য চৰ্চাৰ আহিলা শক্তিশালী যোগাযোগ মাধ্যম হিচাপে বিশ্বৰ ৮০ শতাংশতকৈ অধিক লোকক খবৰ দিয়ে

এই - চিঠিখন লিখিছোঁ - প্ৰত্যেকটো - বিষয়ৰ - এটা - ভাল
এটা বেয়া গুণ - থাকে আমাৰ - ওপৰতেই - নিৰ্ভৰ - কৰে -
আমি কোনটো বাচি - লওঁ ।

— X —

যদি - তুমি ব্যৰ্থ - হোৱা - কেতিয়াও আশা
ত্যাগ - নকৰিবা - কাৰণ - FAIL মানে
First Attempt In Learning
END মানে সকলো শেষ নহয়
কাৰণ - END মানে
Effort Never Dies

যদি - তুমি কোনো প্ৰশ্নৰ - উত্তৰ -
No পোৱা -
তেন্তে - মনত - ৰাখিবা - NO মানে
Next Opportunity

A.P.J Abdul Kalam

# মহৎ লোকৰ বাণী

আপোনাৰ জীৱন কিতাপৰ ভৱিষ্যতৰ পৃষ্ঠাবোৰ এতিয়াও খালী হৈ আছে, আপোনাৰ ইচ্ছা অনুযায়ী আপোনাৰ জীৱন কাহিনী লিখক।।

— জিন্টু দাস

লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম, কিন্তু নিজক নিৰ্দোষী কৰাটো তাতোকৈ বুদ্ধিমানৰ কাম।।

— মহাত্মা গান্ধী

ক্ষুধাৰ্ত মানুহক ধৰ্মৰ কথা কোৱা বা দৰ্শন শাস্ত্ৰ পঢ়োৱাটো হ'ল তেওঁক অপমান কৰা।।

— স্বামী বিবেকানন্দ

অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু সমাজ : এক বিহংগম সৃষ্টি

প্ৰাচীন কালৰে পৰা পৃথিৱীৰ বিভিন্ন সমাজত কম বেছি পৰিমাণে অন্ধবিশ্বাস প্ৰচলিত হৈ আছে। অন্ধবিশ্বাসৰ জন্ম হয় স্থানভেদে একোটা সামাজিক গোষ্ঠীৰ মাজত, মানুহৰ মনৰ মাজত। ঐশ্বৰিক শক্তিত বিশ্বাস, দৈৱশক্তিৰ প্ৰতি ভয়, অন্যান্য কিছুমান কথাত ভয় আদিয়েই অন্ধবিশ্বাসৰ জন্ম দিয়ে। নোবেল বঁটা বিজয়ী পদাৰ্থ বিজ্ঞানী পি. কুশ্বৰ মতে, "অন্ধবিশ্বাস হ'ল অতীতৰ কিছুমান জ্ঞান, কিন্তু এই জ্ঞান যুক্তিসন্মত আৰু পৰীক্ষাভিত্তিক নহয়।"

প্ৰাচীন কালত মানুহে যেতিয়া পৃথিৱীৰ মহাজাগতিক ঘটনাৰ কাৰ্য কৰণৰ উদ্দেশ্য আৰু ৰহস্য উদ্‌ঘাটন কৰিব পৰা নাছিল, তেতিয়া নানা কল্পনা কৰিছিল আৰু তাকে বিশ্বাস কৰি অন্ধবিশ্বাসৰ জন্ম দিছিল। কিন্তু এতিয়া এনেকুৱা শক্তিকতো মানুহে পৃথিৱীৰ মহাজাগতিক ঘটনাৰ ব্যাখ্যা দিব পৰা হ'ল, শুদ্ধ অশুদ্ধ, ভাল বেয়া, বিচাৰ কৰিব পৰা হৈছে। তদুপৰি দেখা গৈছে যে সমগ্ৰতে ভূত-প্ৰেত ৰাশিফলৰ পঞ্জিকা চোৱা, আই গোঁসানীৰ কাঁধ চপা এতিয়াও প্ৰচলিত হৈ আছে। যিবিলাকে মানুহৰ মন দুৰ্বল কৰে আৰু ইয়াৰ সুযোগ লৈ এচাম লোকে মানুহক ঠগাই আহিছে।

কু-সংস্কাৰ হ'ল মানুহৰ অজ্ঞতা। অজ্ঞতাৰ বাবেই মানুহে কিছুমান কাম কৰে যিবোৰ বিজ্ঞানৰ পৰিপন্থী। বৰ্তমান সময়ত আমাৰ সমাজত কম বেছি পৰিমাণে চলি থকা অন্ধবিশ্বাস, কু-সংস্কাৰ যেনে : বাল্যবিবাহ, ডাইনীহত্যা ইত্যাদি। এইসমূহে সমাজত এক ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে।

বৰ্তমান আমাৰ সমাজত অন্ধবিশ্বাস আৰু কু-সংস্কাৰে থিতাপি লোৱাৰ অন্তৰালত আছে বিভিন্ন শাসক শ্ৰেণীসমূহ। এইসমূহ ঐতিহাসিকভাৱে

উদ্ভৱ হয়। এই কামৰ দায়িত্ব লৈছে শাসন তথা ৰজাৰ অনুগত বুদ্ধিজীৱি তথা পুৰোহিত শ্ৰেণীয়ে। তেওঁলোকে প্ৰকৃত সত্যক ঢাকি ৰাখি সামাজিক অৰ্থ আৰু পাৰিধৰ্মৰ বিকৃতি সাধন কৰি ৰাইজক বিভ্ৰান্ত কৰিবলৈ কিছুমান মনেসজা তত্ত্বৰ সৃষ্টি কৰাৰ ফলত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ সৃষ্টি হৈছে। ৰাজনৈতিক মুনাফা আদায়ৰ বাবেই সৃষ্টি হৈছিল "ৰজাক ঈশ্বৰ প্ৰদত্ত গুণৰ অধিকাৰী বোলা অন্ধবিশ্বাস।"

আধুনিক ভাৰতৰ মুঠ জনসংখ্যাৰ শতকৰা বেছি ভাগেই গাঁৱত বসবাস কৰে। তাৰে কিছুসংখ্যক পিছপৰা, দুৰ্গম, যত আজিও খোৱাপানী, বিজুলী সংযোগ, স্বাস্থ্য সেৱা আদিৰ সুব্যৱস্থা নথকা অঞ্চলৰ লোক। চৰকাৰে গ্ৰাম্য অৰ্থনীতিৰ আইন কানুনৰ সহায়ত এই সমূহত বিভিন্ন আঁচনি কাৰ্যকৰী কৰিছে যদিও বৰ্তমান সময়লৈ এই অঞ্চলসমূহক অন্ধবিশ্বাসৰ পৰা মুক্ত কৰিব পৰা নাই।

পৰম্পৰাগতভাৱে চলি অহা অন্ধবিশ্বাস আৰু কুসংস্কাৰে পৰিপূৰ্ণ ভাৰতীয় সমাজলৈ ঊনবিংশ শতিকাৰ পাশ্চাত্য ধ্যান ধাৰণা, শিক্ষা আৰু সমাজ ব্যৱস্থাই পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল। নৱজাগৰণৰ প্ৰথম সূচনা হয় বংগদেশত আৰু সমগ্ৰ ভাৰতত ইয়াৰ প্ৰসাৰ ঘটে। ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, স্বামী বিবেকানন্দ আদিয়ে অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে যুঁজ দিছিল আৰু আৰ্য সমাজ, প্ৰাৰ্থনা সমাজ, ৰামকৃষ্ণ মিছন আদি অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। পাশ্চাত্য শিক্ষা, ইউৰোপীয়ান নৱজাগৰণ, সংস্কাৰ আন্দোলন, ছপাশাল, প্ৰযুক্তি বিদ্যাৰ উদ্ভাৱন আদিয়ে সমাজ ব্যৱস্থালৈ পৰিৱৰ্তন আনিলে। যাৰ ফলস্বৰূপে যুক্তিবাদী ভাৱধাৰা, ধৰ্মনিৰপেক্ষতা, জাতিভেদপ্ৰথা দূৰীকৰণ, বিধৱা বিবাহ প্ৰচলন, নাৰী শিক্ষাৰ সম্প্ৰসাৰণ আদিয়ে বিকাশ লাভ কৰিলে।

পুৰণিকলীয়া অন্ধবিশ্বাস আৰু কুসংস্কাৰবিলাক নিৰ্মূল কৰিবলৈ হ'লে তৃণমূল পৰ্যায়ৰ পৰাই সমাজতাত্ত্বিক আৰু নৃতাত্ত্বিক বিশ্লেষণ আগবঢ়াই ইয়াৰ জাগতিক ঘটনাৰ ব্যাখ্যা আৰু বৈজ্ঞানিক সত্যতাৰ ব্যাখ্যা আগবঢ়াব লাগিব। পৰিবৰ্তনশীল সমাজত প্ৰচলিত ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, বিশ্বাস আদিবোৰ সময়ৰ সৈতে সলনি কৰিব লাগিব। এই পৰিৱৰ্তন ব্যক্তিৰ মনৰ পৰিৱৰ্তনৰ যোগেদিহে সম্ভৱ হ'ব। সেয়েহে পৰিবৰ্তিত সমাজত ভৱিষ্যতৰ মূল দাবীদাৰ আজিৰ শিশুসকলক আমি সৰুৰে পৰাই যুক্তিবাদী, চিন্তাশীল তথা এটা মুকলি মনৰ অধিকাৰী হ'ব পৰাকৈ প্ৰস্তুত কৰিব লাগিব আৰু সময়ত তেওঁলোকৰ চিন্তাধাৰাৰ পৰিৱৰ্তন আমাৰ সমাজৰ পৰা অন্ধবিশ্বাস আৰু কুসংস্কাৰ নিৰ্মূল কৰিব পাৰি। এই অন্ধবিশ্বাস আৰু কুসংস্কাৰ নাইকীয়া কৰিব পাৰিলেহে বৰ্তমান মানৱ সভ্যতা প্ৰগতিৰ দিশত আগবাঢ়ি পাৰিব।

পল্লৱী দত্ত

তৃতীয় ষাণ্মাসিক।

# ~ মহৎ লোকৰ বাণী ~

কাৰোবাৰ পৰা কষ্ট পাই ভাগি নপৰিব, মনত ৰাখক প্ৰতিটো কষ্টই এটা নহয় এটা শিক্ষা দি যায় ।

জনামে, মহৎ লোকৰ বাণী

এটা সুন্দৰ বাণী, যিটো বাণীয়ে আপোনাৰ জীৱনৰ ৰং সলনাই দিব ॥

— ডেল কাৰ্নেগী

আমাৰ জীৱনলৈ কোনো ব্যক্তিয়েই মিত্ৰ বা শত্ৰু হৈ নাহে, আমাৰ ব্যৱহাৰ আৰু শব্দবোৰেহে মানুহক মিত্ৰ বা শত্ৰু হিচাপে গঢ় কৰে ॥

জনামে, মহৎ লোকৰ বাণী

# পৰিৱেশ প্ৰদুষণ আৰু ইয়াৰ নিয়ন্ত্ৰণ

বৰ্তমান মানৱ সমাজৰ এটা ভয়াবহ সমস্যা হ'ল পৰিৱেশ প্ৰদুষণ। বিভিন্ন কাৰণত বৰ্তমান মানৱ সমাজত পৰিৱেশ প্ৰদুষণৰ মাত্ৰা দিনে দিনে বৃদ্ধি হৈ গৈছে। যাৰ পৰিণতিস্বৰূপে মানৱ দেহত বিভিন্ন ধৰণৰ বেমাৰৰ বীজাণু সোমোৱাৰ লগতে জীৱ জন্তু আদিৰো যথেষ্ট ক্ষতি সাধিত হৈছে।

বৰ্তমানৰ সমাজত আধুনিক বৈজ্ঞানিক পদ্ধতিৰে উদ্যোগীকৰণ, নগৰীকৰণ, পৰিবহণ ব্যৱস্থা, আধুনিক কৃষি পদ্ধতি আদি আৰ্থ সামাজিক উন্নয়ণৰ কাৰ্যকলাপ বৃদ্ধি পোৱাৰ লগে লগে প্ৰদুষণৰ মাত্ৰা বৃদ্ধি পাব ধৰিছে। উদ্যোগীকৰণৰ মাত্ৰা বৃদ্ধি পোৱাৰ ফলত বায়ুমণ্ডলত যথেষ্ট ধোঁৱা গৈছে এৰি দিছে তাৰ ফলত চাৰিওফালৰ পৰিৱেশ বিষাক্ত আৰু গৰম হৈ পৰিছে।

দ্ৰুতগতিত বৃদ্ধি হোৱা কল কাৰখানাৰ পৰা নিৰ্গত হোৱা দূষিত বায়ুৰ ফলতো প্ৰদুষণৰ সৃষ্টি হৈছে। যাৰ ফলত মানুহৰ দেহৰ যথেষ্ট ক্ষতিসাধিন হৈছে লগতে জীৱ জন্তুৰ মৃত্যু হোৱাও দেখিবলৈ পোৱা গৈছে।


পৰিৱেশত প্ৰদুষণৰ মাত্ৰা বৃদ্ধি পোৱাৰ আন এটা কাৰণ হ'ল— জনসংখ্যা বৃদ্ধি। যাৰ ফলত বৰ্দ্ধিত জনসংখ্যাক খাদ্য যোগান ধৰিবৰ বাবে সুপ্ৰজনন বিদ্যাৰ জৰিয়তে সৃষ্টি কৰা অধিক উৎপাদনক্ষম বীজ, ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্যৰ সহায়ত শস্যৰ উৎপাদন প্ৰচুৰভাৱে বৃদ্ধি কৰা হৈছে যদিও এই সাৰ আৰু কীটনাশক দ্ৰব্যই পৰিৱেশৰ প্ৰচুৰ ক্ষতিসাধিন কৰিছে।


নদীবান্ধবোৰেও পৰিৱেশ প্ৰদুষণত যথেষ্ট প্ৰভাৱ পেলাইছে। নদীৰ পানীত

বিভিন্ন গেলা পচা আৱৰ্জনা পেলোৱাৰ ফলত সেই ঠাইত বেয়া গোন্ধই পৰিৱেশ বিনষ্ট কৰিছে।

গতিকে পৰিৱেশত প্ৰদূষণৰ কাৰক যদিও বহুতো আছে তাৰ তুলনাত নিয়ন্ত্ৰণৰ উপায় নথকা নহয়। পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণ কৰিবলৈ [illegible] উদ্দেশ্যত প্ৰতিবছৰে ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। গছ-গছনি সংহাৰ বা ধ্বংস নকৰি অৰণ্য সৃষ্টি কৰিব লাগিব, ঘন জনবসতিপূৰ্ণ অঞ্চলত উদ্যোগ, কল-কাৰখানা আদিৰ সৃষ্টি কৰিব নালাগিব কাৰণ এইবোৰৰ পৰা নিৰ্গত হোৱা গেছে মানুহৰ দেহলৈ বেমাৰৰ বীজাণু কঢ়িয়াই আনিব পাৰে।


ৰিংকুমণি কলিতা
তৃতীয় ষাণ্মাসিক।





# বৰ্তমান সমাজত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

সময় গতিশীল। এই গতিশীলতাৰ মাজতেই সীমাবদ্ধ মানৱ জীৱন আৰু বৰ্তমানৰ সমাজ। যিহেতু এখন সমাজ মানুহৰ দ্বাৰাই গঠন হয়। সেইবাবে সমাজখনৰ উন্নতিৰ বাবে প্ৰত্যেকজন মানুহেই শিক্ষিত হোৱা উচিত।



সু-চৰিত্ৰই মানৱ স্বভাৱৰ প্ৰতিচ্ছবি। এই সুচৰিত্ৰ তথা সৎ স্বভাৱ গঢ় দিবলৈ হ'লে প্ৰথমে মাতৃসকল শিক্ষিত হ'ব লাগিব। শিক্ষিত হ'লে কেৱলে পুথিগত জ্ঞানেৰে জ্ঞানী হোৱাটো নুবুজায়। প্ৰকৃত জ্ঞানী হ'ব লাগিব পুথিগত বিদ্যাৰ লগতে নৈতিক শিক্ষাৰে জ্ঞানেৰে। এটা শিশুৱে জ্ঞান আহৰণ কৰে মাতৃগৰ্ভতে মকাৰ পৰাই। জন্মৰ শুভমুহূৰ্তৰ পৰাই বাহ্যিক জগতৰ লগত পৰিচয় হয়। প্ৰথমেই মাতৃগৰাকী আৰু তাৰপাছতেই ঘৰখনক পায়। সেয়ে ঘৰখনৰ পৰাই আচাৰ - ব্যৱহাৰ, চাল - চলন সকলো আয়ত্ত কৰিবলৈ শিকে।

আজিও বহু তথাকথিত শিক্ষিত লোকে ছোৱালীটোকে লৰাকহে অধিক গুৰুত্ব দিয়ে। ঘৰৰ কামত সহায় কৰিবৰ বাবেহে যেন ছোৱালীৰ জন্ম হয়। আনৰ ঘৰলৈ বিয়া দিব লাগিব বাবেই ছোৱালীক পঢ়াব নোখোজে। কিন্তু এখন সমাজৰ উন্নতি হ'বলৈ হ'লে পুৰুষৰ লগতে নাৰীসকলো শিক্ষিত হ'ব লাগিব। একোগৰাকী শিক্ষিত মাতৃয়ে সু-সংগঠিতভাৱে নিজৰ কৰ্মদক্ষতা, সামাজিক দায়বদ্ধতা আৰু সামাজিক আৰু ৰাজনৈতিক তৎপৰতা আৰু সচেতনতাৰ প্ৰমাণ দি নাৰীৰ প্ৰতি সকা হেয়ভাৱ গুচাব পাৰে। কিন্তু, বহু নাৰী উচ্চ শিক্ষিত হৈও প্ৰকৃত শিক্ষাৰে উপযুক্ত নহয়। আধুনিকতাৰ প্ৰভাৱত যেন প্ৰভাৱান্বিত হৈ পাৰে। নিজৰ মতেই সকলো শুদ্ধ, অন্যৰ কথা মানি ল'ব নিবিচাৰে।

তথাপিতো আজিও বৰ্তমান সমাজত এতিয়াও নাৰী
অন্ধবিশ্বাস, বাল্যবিবাহ, কু-সংস্কাৰৰ পৰা মুক্ত হ'ব পৰা নাই।
কিন্তু, এগৰাকী নাৰী দৈধুও শিক্ষাৰে শিক্ষিত হ'লে নিজৰ
পৰিয়ালটোক এইবোৰৰ পৰা মুক্ত কৰিব পাৰে। চাকৰি নকৰিলে
এখন ঘৰ সুপামেৰে পৰিচালনা কৰিব পাৰে। আনহাতে, শিশুকো
মানৱ সম্পদৰূপে গঢ়াত মুখ্য ভূমিকা লয় মাতৃসকলেই।
যেহেতু শিশুক মহৎ কামত গঢ় দিয়াত মাতৃ সকলৰ লাগিব
ধৈৰ্য্য আৰু নিজস্ব যোগ্যতা। কাৰণ যিকোনো কামতে সফলতা
লাভ কৰিবলৈ হ'লে নিয়মানুবৰ্তিতা আৰু সময়ৰ সদ্ব্যৱহাৰ
একান্তই প্ৰয়োজন। এইবিলাক দিশত শিশুক আগুৱাই নিয়াত
মাতৃসকল শিক্ষিত হোৱাটো অত্যন্তই প্ৰয়োজন। যেয়েহে বৰ্তমান
সমাজত নাৰী শিক্ষা অতিকে প্ৰয়োজন।

দীক্ষা মেচমিন।
স্নাতক প্ৰথম ষান্মাসিক





গল্প
গুচ্ছ

# পাগলী

" অহি গ'ল, অহি গ'ল ।" পাণ দোকানৰ ওচৰত বৈ চিগাৰেট হুপি থকা দীঘল চুলি, কাণত ঘূলি পিন্ধা লৰা কেইটাই কিৰিলিয়াই উঠিল ।

— " আহিলা জান ।"

" আজি তোমাক বৰ ধুনীয়া লাগিছে ।"



অশ্লীল শব্দ কিছুমান মাতি মাতি লৰাবোৰে তাইক আগুৰি ধৰিলে ।

অলপ আগতে দোকানী এজনে তাইলৈ দলিয়াই দিয়া বিস্কুটৰ সৰু পেকেটটো তাই বুকুত জোৰকৈ সাৱটি লৈছে আৰু ঘতে আছিল তাতে বৈ গ'ল তলমূৰকৈ, নিঃশব্দে ।

এই সময়তে সিহঁতে আঁতৰি গ'ল আৰু তাই লাহে লাহে আহি কালী মন্দিৰৰ দেৱাল এনতে আঁউজি বহিল আৰু লেতেৰা অপৰিপাটি চুলিকোছা তাই আঙুলিৰে ঘণিয়াব ধৰিলে ।

এওঁৰা তাইৰ নাম হ'ল লক্ষ্মী । কিন্তু সকলোৰে পৰিচিত 'লক্ষ্মী পাগলী' নামেৰে । ফপৰা চুলি, লেতেৰা ফটা কাপোৰ পিন্ধা, তাই এজনী পাগলী ।

সৰুতেই মাক-দেউতাক মৰা তাইক মোমায়েকহঁতে লৈ গৈছিল নিজৰ ঘৰলৈ আৰু এদিন তাইক অনাথ আশ্ৰমত এৰি থৈ গ'ল ।

এদিন .... যিদিনা তাই অনাথ আশ্ৰমৰ মালিকৰ পুতেকৰ বিকৃত কামনাক বাধা দিবলৈ তাৰ মুখত চেঙেলে চৰ দিছিল, সেইদিনা ৰাতি তাইক কেইবাটাও মানুহে

গুৰুলা-গুৰুলকৈ পিটি, তেওঁ কালী মন্দিৰৰ কাষত পেলাই থৈ গৈছিল।

সেই দিনাৰ পৰা তেওঁ কালী মন্দিৰৰ কাষত থকা হ'ল। এতিয়া মাথোঁ তেওঁ ভাগ্যকহে ধিক্কাৰ দিয়ে। ফটা-ফুটা কাপোৰ পিন্ধি ভোক গুচাবৰ বাবে আহাৰৰ সন্ধান কৰি নাপালে পাগলী। ভাল কাপোৰ শিক্ষা তথাকথিত সুস্থ শিক্ষিতবোৰে তেওঁক পাগলী বুলিয়ে স্বীকৃতি দিলে। তাইও বুজি পালে প্ৰতিবাদ কৰি নিজৰ বিপদ মাতি অনাতকৈ তাৰ পাগলী হোৱাই ভাল।

প্ৰতিবাদ!! এই সমাজত জানো প্ৰতিবাদ কৰি লাভ আছে? এদিন তেওঁ প্ৰতিবাদ কৰাৰ বাবেই আজি ইয়াত... ভোৰকৈ হাঁহি উঠিল তেওঁ —

"হাঃ, হাঃ হাঃ, প্ৰতিবাদো কোনোবাই কৰেনে?"

ৰাস্তাৰে কাণত সঁৰাইলে গুঞ্জ, কথা পাতি ধোৱা ধুনীয়া কাপোৰ, শিক্ষা, তেওঁৰ সমবয়সৰ ছোৱালীজনীয়ে তেওঁলৈ বিৰক্তিৰে মোপাকৈ চাই গ'ল।

কিন্তু... তেওঁ হাঁহিয়ে থাকিল।

তেওঁৰ সন্মুখৰ, ৰাস্তাৰ সিপাৰৰ দেৱালত ডাঙৰ-ডাঙৰ আখৰে লিখা আছিল — "বেটী বচাও, বেটী পঢ়াও।"

— দীপশ্ৰী হাংমাই
স্নাতক প্ৰথম ষাণ্মাসিক

# চাৰি প্ৰহৰ

শ্ৰী কাকুমণি গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক

চাৰিজন চতুৰ চিনাকী বেলেগ বেলেগ অফিচৰ চাকৰিয়াল ব্যক্তি এদিন কামৰ পথা আহোঁতে পলম হ'ল আৰু বাটি এখনৰ মাজত চাৰিজন চাকৰিয়ালৰ বাট হেৰাল। চাৰিজন চাকৰিয়ালৰ এজন ব্ৰাহ্মণ, এজন দৰ্জি, এজন চিত্ৰকৰ আৰু এজন কুমাৰ। ৰাতি বহুপৰ হ'ল অৱশেষত ব্যক্তি কেইজনে সেইৰাতি হাবিতে কটোৱাৰ চিন্তা কৰিলে। হিংস্ৰ জন্তুৰ ভয়ত আটাইকেইজন একেলগে শুবগৈ নোৱাৰে গতিকে চাৰিওজনৰ মাজত এটা এটা প্ৰহৰ পহৰা দিবলৈ সিদ্ধান্ত কৰিলে। প্ৰথমতে পৰিল কুমাৰৰ পাল আৰু বাকী সকলো বিলাক শুবলৈ গ'ল। কুমাৰে ভাবিলে নিৰ্জন ৰাতি অকলে অকলে ইমান সময় অকাতৰে থাকিবে কিবা এটা নিৰ্মানকে কৰো। সেই ভাবি মাটিৰ দম এটা গোটাই সুন্দৰ এটা নাৰী মূৰ্তি সাজিলে আৰু ঠিক অলপ সময়ৰ পাছতেই কুমাৰৰ প্ৰহৰ শেষ হ'ল। কুমাৰ শুবলৈ গ'ল আৰু চিত্ৰকৰৰ প্ৰহৰ পৰিল। চিত্ৰকৰে ভাবিলে ইমান গহীন ৰাতি ইমান সময় কি কৰা যায়। ইফালে সিফালে চাই দেখিলে ইমান ধুনীয়া ইমান সুন্দৰ নাৰী মূৰ্তি। চিত্ৰকৰে ভাবিলে ইয়াক সুন্দৰকৈ ৰং দি দিপালীপ কৰি তোলা হওক আৰু সেইমতে চিত্ৰকৰে ৰং দি মূৰ্তিটো সুন্দৰ কৰি তুলিলে, ঠিক পাছতেই চিত্ৰকৰৰ প্ৰহৰ শেষ হ'ল। চিত্ৰকৰ শুবলৈ গ'ল আৰু এইবাৰ দৰ্জিৰ প্ৰহৰ পৰিল। দৰ্জিয়ে ভাবিলে ইমান নিতাল ৰাতি ইমান সময়ে কি কৰা যায়। হঠাতে দেখিলে ইমান সুন্দৰ নাৰীৰ মূৰ্তি ৰং ৰূপেৰে ধুনীয়া হৈ আছে। কিন্তু কাপোৰ পিন্ধোৱা হোৱা নাই। লাজতে তেওঁ ইমান ধুনীয়া ছোৱালীজনিক কাপোৰকে পিন্ধাই দিওঁ বুলি কাপোৰ চিলাই পিন্ধাই দিলে। দেখিবলৈ এনে লাগিল যেন অপৰূপ কোনোবা পৰিহে। কিছুসময় চাই থাওঁতেই দৰ্জিৰ প্ৰহৰ শেষ হ'ল। এইবাৰ ব্ৰাহ্মণৰ প্ৰহৰ। ব্ৰাহ্মণে ভাবিলে মোৰ শেষ প্ৰহৰ তাতে ইমান গভীৰ ৰাতি ইমান সময় কি কৰা যায়। এই কেইজন ব্যক্তিয়ে কি কৰি ইমান সময় কটালে বুলি চাওঁতেই দেখিলে এজনী দিপালীপ ছোৱালীৰ

মূৰ্তি আটাই- কেইজনে নিজৰ- প্ৰতিভাৰে মাটিৰ- মূৰ্তিটো সুন্দৰ- কৰি তুলিলে ময়ো তাতে কিবা কৰিব পাৰোনে বুলি ভাবোতেই দেখা পালে অকলো আছে কেৱল জীৱন্ত নহয় গতিকে মই জীৱনটোকে দিও বুলি তপ- জপ কৰি নাৰীৰ মূৰ্তিটো জীৱন্ত কৰি তুলিলে । অৱশেষত চাৰি প্ৰহৰ শেষ হ'ল । আটাই- -কেইজনে দেখিলে তেওঁলোকৰ পৰমত সৃষ্টি হোৱা মূৰ্তিটোৱে জীৱন্ত ৰূপ লৈ উজ্জ্বলী দিপালী ছোৱালীটিত পৰিণত হ'ল । ছোৱালীজনীৰ ৰূপ লাৱণ্যত আটাইকেইজন ব্যক্তি মুগ্ধ হৈ আটাই কেইজনে ছোৱালীজনীক বিবাহ কৰিবলৈ বিচাৰিলে । কুমাৰে কয় মইহে গঢ়িছিলো । চিত্ৰকৰে কয় মইহে সুন্দৰ- কৰিছিলো । দৰ্জিয়ে কয় মইহে কাপোৰ চিলাই কৰি লাজ কাপোৰ পিন্ধা বচালো । ব্ৰাহ্মণে কয় মইহে জড় অৱস্থাৰ পৰা জীৱন্ত কৰিলো । অৱশেষত কোনেও কাকো এৰাব নোৱাৰি বিচাৰকৰ ওচৰ পালেগৈ । বিচাৰকে বিচাৰ- কৰি দিলে যে প্ৰথমতেই কুমাৰে ছোৱালীজনীক বিয়া কৰাব নোৱাৰিব । কুমাৰে ক'লে কিয় ? কাৰণ কুমাৰে ছোৱালীজনীক গঢ়িছে বা জন্ম দিছে গতিকে কুমাৰ ছোৱালীজনীৰ বাপেক, গতিকে বাপেকে জীয়েৰক বিয়া কৰাব নোৱাৰিব । দ্বিতীয়তে দৰ্জীয়ে ছোৱালীজনীক বিয়া কৰাব নোৱাৰিব । দৰ্জীয়ে সুধিলে কিয় ? কাৰণ দৰ্জীয়ে ছোৱালীজনীক কাপোৰ পিন্ধাই দিছে গতিকে ছোৱালীজনী দৰ্জীৰ ভনীয়েক কিয়নো ভনীয়েকৰ লাজ অপমান ককায়েকে সহিব নোৱাৰে, গতিকে ককায়েকে ভনীয়েকক বিয়া কৰাব নোৱাৰে । তৃতীয়তে ব্ৰাহ্মণে যিহেতু ছোৱালীজনীক জীৱন দান দিছে গতিকে ব্ৰাহ্মণ ভগৱান আৰু তেওঁ তাইৰ পূজনীয় গতিকে ভগৱানে ভক্তক বিয়া কৰাব নোৱাৰে । বাকী থাকিলগৈ চিত্ৰকৰ । বিচাৰকে ক'লে কেৱল মাত্ৰ চিত্ৰকৰেহে ছোৱালী- -জনীক বিয়া কৰিব পাৰিব কিয়নো তেওঁহে তাইক ধুনীয়া দেখাতো বিচাৰি দিলে ।

অৰ্থাৎ যিয়ে ধুনীয়া দেখে তেৱেই স্বামী হোৱাৰ যোগ্য । পত্নীক- যিমানেই আনৰ চকুৰে বেয়া নেদেখক কিয় স্বামীৰ বাবে পত্নী সদায়েই ধুনীয়া ৰূপহী ছোৱালী ।

পিতৃয়ে কেৱল এটা সন্তানহে (মাংস পিণ্ডহে) সৃষ্টি কৰিব পাৰে

কিন্তু শিশু এটাক জীৱন্ত ৰূপত তুলি দিব নোৱাৰে।
যিয়ে এটোকোৰা মাংস পিণ্ড বা মৃত বস্তুক জীৱন্ত কৰিব পাৰে তেৱেঁই ভগৱান।


* * * *

"বন্ধুত্ব"

পাৰিমা পগে
স্নাতক তৃতীয় ষাণ্মাসিক

.... বন্ধুত্ব হৈছে এক আত্মাৰ দুই শৰীৰ, 'মা' নামৰ শাৰীৰিক অৱস্থাৰ পিছৰ হৈতে এটি স্নেহশীল সম্পৰ্ক গঢ় লৈ উঠাৰ সময়তে এটা শিশুৰ মাকৰ সমানেই প্ৰয়োজন হৈ পৰে আন এজন 'বন্ধু' যো।

... বন্ধুত্বই কেতিয়াও বয়সৰ প্ৰাচীৰ নামানে। নামানে কোনো লিংগ বা ধৰ্ম। মাথোঁ প্ৰয়োজন হয় বুজাবুজি বিশ্বাস আৰু ভালপোৱা। 'বন্ধুত্বই' সাঁচিকৈছে এক মিঠা অনুভূতি। পৃথিৱীৰ সকলোৰে বন্ধু আছে। অজান জীৱ জন্তুৰ পৰা জীৱশ্ৰেষ্ঠ মানুহৰ বন্ধুত্ব বিৰাজমান।



... বন্ধুত্ব হৈছে পৃথিৱীৰ শ্ৰেষ্ঠতম সম্পৰ্ক, যি সাগৰৰ দৰে গভীৰ, যি আকাশৰ দৰে নিবিড়, যাৰ কোনো দিগন্ত নাই।

যিজন বন্ধুৱে আন এজন বন্ধুৰে সুখ-দুখৰ সমভাগী হয়, নিঃস্বাৰ্থভাৱে যেজনে আনজনক সহায় কৰে, দুখত কান্দে, সুখত হাঁহে তেওঁকেই কোৱা হয় প্ৰকৃত বন্ধু। প্ৰকৃত বন্ধুৰ আগত আমি আমাৰ মনৰ গোপন কথাবোৰ প্ৰকাশ কৰিব পাৰোঁ। প্ৰকৃত বন্ধুৱে এজনে আনজনৰ প্ৰতি যত্নশীল আৰু এজনে আনজনৰ সফলতা কামনা কৰে।

.... বন্ধুত্ব কোনো স্বাৰ্থ জড়িত হৈ নাথাকে, যত স্বাৰ্থ আছে সেইয়া বন্ধুত্ব হ'ব নোৱাৰে। বন্ধুত্ব পাতি তোলা সহজ, কিন্তু সেই বন্ধুত্ব আজীৱন জীয়াই ৰখাটো কঠিন। কিন্তু ভাগি যোৱা বন্ধুত্ব পুনৰ ঠন ধৰি উঠিব পাৰে; যদিহে বন্ধুত্ব সঁচা অন্তৰৰ হয়। প্ৰকৃত বন্ধুক জানো সহজে বিদায় জনাব পাৰি? নিশ্চয় নোৱাৰি।

যিকোনো ক্ষেত্ৰে বিনিময়ত বন্ধুত্বক জীয়াই ৰাখিবলৈ চেষ্টা কৰা উচিত। কিয়নো আমি প্ৰত্যেকজনে যেজন বন্ধুৰ অবিহনে নিজৰ জীৱনটোত অকলশৰীয়া॥

* * *

## জানিবলগীয়া কথা

১) চাৰি যুগ : সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি।

২) ছয় ঋতু : বসন্ত, গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত।

৩) অক্সিজেন আৱিষ্কাৰ কৰিছিল প্ৰীষ্টলীয়ে।

৪) জেদ জেনছেনে অণুবীক্ষণ যন্ত্ৰ উদ্ভাৱন কৰিছিল।

# কাব্য কানন

সিয়ে কবিতা নুবুজে, কবিতা
তেওঁলোকৰ বাবেই

— নৰকান্ত বৰুৱা

# আশ্বিনৰ এখন ৰঙীন ছবি

— পাৰী কটকী
পঞ্চম ষান্মাষিক

এখন চোৱা আমাৰ সকলোৰে সন্মুখত
এখন ৰঙীন ছবি;
ছবিখন তোমাৰ আৰু মোৰ নহয়
এইখন আশ্বিনৰ ছবি।
মোৰ অনুভৱী মনটো বাৰে বাৰে
ছবিখনিলৈ উৰি যায়।

দেখিছানে তুমি, বগলী দলিচাত বহি
আঁই লখিমীয়ে সোণ গুটি,
কেনেদৰে সাজিছে?
শুৱনি মোৰা লখিমী জনীৰ
আচলত এইয়া কিহৰ টো?
বৰষুণ নে নিয়ৰৰ?

নহয় এইয়া বোলে লখিমীক
আশ্বিনে দিয়া ফুলৰ থোপা।
তুমি ছবিখন মানস পটত
সজাইছানে?

যত আছে তল সৰা শেৱালীৰ
আমোল মোলনি,
নিয়ৰ কণাৰ তিৰবিৰণি
আৰু কত আছে যে জোনাকীৰ ধেমালি,
জোনাক ৰাতি আগ চোতালত বহি
জোনাকীৰ সৈতে জিতিবালি পতা;
আৰু শৰতৰ আমাভৰা,
বতৰা বগড়িয়াহি তনা,
এইখন এখন আশ্বিনৰ ৰঙীন ছবি,

শ্ৰীমতী মানসী বৰদলৈ
স্নাতক পঞ্চম ষাণ্মাসিক

## পথাৰ

আঘোণ মহীমা পথাৰলৈ চালেই
আঘোণী আহিলে মনত পৰে;
হালি জালি থাকে সোণালী ধাননি,
কি'ত যে পথাৰত সোণৰ চিক্-মিকনি ॥

কুঁৱলীৰ মধুৰ চাৱনিত
অতীতৰ সেই ধাননি
পথাৰলৈ মনত পৰে
সেউজী, জেতুকীয়ে দাই থকা
কুঁৱলীয়ে ঢাকি ৰখা যেমনি
সোণালী ধাননি পথাৰ ॥

পথাৰত হালি জালি থকা ধানবোৰে
মোক যেন ৰিঙিয়াই মাতিছে,
অতীতৰ সেই দিনবোৰলৈ,
পুৰণি নিজা চৰাই মাতত
সাৰ পাই উঠি মনত পৰে
অতীতৰ সেই কুঁৱলীয়ে ঢাকি ৰখা
সোণোৱালী সোণ-গুটি ধাননি পথাৰ খনলৈ ॥

"জাবৰ মাৰিলে যিদৰে ঠাইডোখৰ পৰিষ্কাৰ হয়, তেনেকৈ ভুল স্বীকাৰ কৰিলে অন্তৰখন পবিত্ৰ হয়।"

— মহাত্মা গান্ধী

# শিৱসাগৰ গাৰ্লছ কলেজ
## — অন্য এক পৰিচয়

ক্ষেমা দাস
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি শিৱসাগৰ গাৰ্লছ কলেজ
যেন এক ৰোমাণ্টিক কলেজ
জ্ঞান মন্দিৰৰ পূজামণ্ডপত উজ্বলে গৌৰৱ শিখা,
কিন্তু তোমাৰ বাহিৰৰ জগত?
বহিৰ্জগতত তুমি এক অন্তহীন প্ৰেমৰ কবিতা,
ক'ত যুগ ধৰি নৱ নৱ প্ৰজন্মৰ
উচ্ছল যৌৱনক শিহঁৰিত কৰি
ৰচি আছা মিঠা মিঠা অথচ করুণ
প্ৰেমৰ কবিতা।




সময়ৰ অপ্ৰতিহত আগবাঢ়ি যাম
হেজাৰ উষা-অনিৰুদ্ধ,
ৰোমিঅ' জুলিয়েট, চেলিম-আনাৰকলি
আৰু তুমি?
আজিও ৰৈ আছা আৰু ৰৈ
থাকিবা চিৰকাল
চিৰযৌৱনা হৈ, ইতিহাসৰ ধ্বজা লৈ
তুমি ৰহস্যময়ী অন্য এক
সাক্ষী আছা॥

# পোহৰতকৈ এন্ধাৰ ভাল

শ্ৰী ভাগ্যশ্ৰী বৰুৱা
পঞ্চম ষাণ্মাসিক

কত কষ্ট নৰ নাৰীৰ
চাৰিওফালে আৰ্ত কোলাহল
হাতত চিপা ভৰি দুলে যেন জঞ্জাল
যদি এন্ধাৰ আঁতৰি গ'লেহি
সংসাৰত মুক্তি পাবে সুষমা
তেন্তে এন্ধাৰ সামৰি ৰাখা
পোহৰতকৈ এন্ধাৰেহি ভাল ।।

বিশ্বাসবোৰ থৈ ৰাখো এন্ধাৰে
কাৰণ পোহৰ ৰাজকুমাৰ যে কপটবাদী
একোকে গুৰুত্ব নাৰাখে
কৰে অত্যাচাৰ,
মান মৰ্য্যাদা কৰি লৈনিহান,
যদি আকাংক্ষাই
টানি টুনি থৈ ৰাখে জীৱন দুৱাৰ
তেন্তে পোঁহৰক আঁতৰত ৰাখা
পোহৰতকৈ এন্ধাৰেহি ভাল ।।



# নাৰীৰ বিননি

শ্ৰীমতী লীনা বড়া
প্ৰথম ষাণ্মাসিক

দুচকুৰ চকুলোৰে ধুৱালে নয়ন
কিয়া এটি পোহৰৰ আশাত
নাই কোনো সহাঁৰি কাৰো
মই এগৰাকী অসহায় নাৰী।
কেতিয়াবা নাৰীৰ বিননিয়ে
কঁপাই তুলে তৌটিকা
নানা অত্যাচাৰ ভুমুকি মাৰা
এটি এটি নাৰীৰ জীৱন।
কাক কম, কোনোৱে শুনিব এই বিননি
যাৰ দয়া আছে এটুকু মৰম সনা মাত
নিঁচাৰিত হয় যদি
এই অসহায় নাৰীৰ প্ৰতি
জীৱনটো বহু সপোনেৰে ভৰা থাকে
কৰিব পৰা যায় এই সপোন দিঠকত পৰিণত।
অসহায় বিননি সহায়ৰ হাত বুলোৱা
একতাৰ পৰশত উঠিছে আগবাঢ়ি যাব
পাৰিব নাৰী জনতাৰ মাজলৈ।

# মনবোৰ প্ৰতিচ্ছা

শ্ৰীমতী শিৱানী গগৈ
পঞ্চম ষাণ্মাসিক

সময়ৰ সোঁত যিমানেই
বৈ গৈছে
মনবোৰত যেনোন অশান্ত হ'ব ধৰিছে
উকা হৈ পৰিছে মোৰ দুহাত
ভাঙিব ধৰিছে মোৰ
সপোনবোৰ,,,,,,,!
পৰাজিত হৈ পৰিছো আজি মই,,,,!
জীৱনৰ আঘাতত,,,,।
তথাপিও এটাই যে আশা,,,,
জীৱনৰ পূৰ্ণ তুলিকা আঁকণ,,,,,।


কবিতা, তেজক চিয়াহীলৈ পৰিণত কৰা যাতনা —

ইলিয়ট

# তুমি তুমি যেন লগা এটি মিঠা অনুভৱ

শ্ৰীমতী জয়শ্ৰী বুঢ়াগোহাঁই
পঞ্চম ষাণ্মাসিক

খুলি দিলো অনুভৱৰ খিড়িকী আৰম্ভ হ'ল এজাক স্বপ্নৰ বৰষুণ,,,,।
হৃদয়ৰ প্ৰতিটো কোণতে সিঁচৰতি হৈ থকা অনুভৱবোৰ
যেন ফুলিছিল এটি এটি গোলাপ হৈ,,,,।
মই তিতিছো এইজাক বৰষুণত প্ৰাণ দিবলৈ চেষ্টা কৰিছো
মোৰ ভালপোৱা সপোনৰ প্ৰতিটো স্বপ্নক,,,,।
মই জানো তুমি নাহা কেতিয়াও অপেক্ষাৰ জানো অন্ত পেলাব পাৰিছো,,,,!



এই যে বৰষুণজাক মোৰ বাবে অচিনাকী নহয়, প্ৰায়েই আহে মোৰ কাষলৈ আৰু দি যায় তোমাৰ নতুনত্বৰ ঠিকনা,,,।
পূৰ্ণ লৈছোই চাইছো অতীতৰ,,, উফ কি যে অনাবিল আনন্দ,,,। বিচাৰি পাইছো তোমাক, বিচাৰি পাইছো আমাৰ সুখবোৰ।
তোমাৰ অভিহলেই মোৰ সময়বোৰ পাৰ হয় ঠিকেই,,, কিন্তু মই যেন সময়বোৰক উপেক্ষা কৰিব নোৱাৰো,,,,!
তুমি যে দি যোৱা গৌৰৱ মৌনতা, নিজৰ্নতা এইবোৰেও প্ৰতিক্ষণ যেন সময়ৰ ওপৰত হাৰ মানি নতুনত্বক আদৰি লৈছে।
এই যে তোমাৰ লগত পাৰ কৰা মোৰ প্ৰতিটো দিনৰ স্মৃতিকণ,,,এইবোৰে প্ৰতিক্ষণ মই এধানি মালা গাঁথিছো আৰু যোৱ সযতনে ৰাখিছো,,,,,,।
প্ৰতিক্ষণ মইতো সুখী জানানে,,,,? হয়তো তোমাতকৈ বেছি।

# বৰষুণ বিষাদৰ স্মৃতি

শ্ৰীমতী পাম্পী শৰ্মা
তৃতীয় ষাণ্মাসিক

ফুলৰ বৰষুণজাকে বুৰাই নিছে
মোৰ জীৱনৰ ধূলিময় পদূলি
সেপেনাৰ বৰ্ষাত পদূলিৰ
যেতিয়া গোলাপবোৰ ফুলিব ধৰিছে
কিন্তু কিয় বৰষুণ আবেগে
বিষাদময় সপোন বাচিছে ।
দোমোজাত নীৰৱে থাকি একান্তত
বিলীন হ'ব নাজনাকৈয়ে
সপোনবোৰ শেষ হ'ব ধৰিছে
জীৱনৰ অৰ্থ বুজাৰ সময়তে
অন্তৰত কঁপি উঠা অনুভৱৰ ঢৌবোৰত
উঠিছে উঠিছে বৰষুণ টোপালৰ ফাঁকেদি
এতিয়া আছে বিষাদৰ স্মৃতি ।

# শেৱালি

শ্ৰীমতী লিজুমণি বৰা
পঞ্চম ষাণ্মাসিক

শেৱালি, কি যে অপূৰ্ব, কোমল তোমাৰ
চাৰিওফালে কেৱল তোমাৰ সুগন্ধি,,,।
বিলাই দিয়া
তুমি অহাৰ লগে লগে আমাৰ মন প্ৰাণ
ভৰাই তুলিলনা,
কাৰণ তুমি আমাৰ বাবে লৈ আহা
শৰৎ আগমনৰ বতৰা ,,,।
শৰতৰ সেই জেমেকা জেমেকা ৰাতিবোৰ
সেই জেমেকা ৰাতিতে দুৰ্গা পূজা চোৱাৰ
কি যে আনন্দ ,,,,।
সেই শৰতেই লৈ আহে আহিন মাহৰ
সেউজীয়া পথাৰত পৰা কুঁৱলীৰ শুভ্ৰ
আচ্ছাদন ,,,,।
কি যে এক মনোমোহা দৃশ্য ,,,
চাই আপোন পাহৰা হৈ যাওঁ ,,,,।
শেৱালি তোমাক অশেষ ধন্যবাদ
কাৰণ তুমি নহা হ'লে হয়তো
শৰতৰ সেই জেমেকা ৰাতিবোৰ
আৰু সেই যে আহিন মাহৰ

সেইদিনা পাহাৰত পৰা কুঁৱলীৰ শুভ্ৰ আচ্ছাদনে
যৌঁধনলৈ আগালো হেঁতেন
সেয়ে,,, সোণালি তোমাক অশেষ ধন্যবাদ,,,,।

* * * * *

কোনোৱে তোমাক সহায় কৰিব নোৱাৰে। নিজেই নিজৰ সহায় লোৱা।

বুদ্ধদেৱ

কৰ্মৰ মাজতহে জীৱনে পূৰ্ণতা লাভ কৰে।

বেইলী

উশাহ লৈ থকা মানেইতো জীয়াই থকা নহয়।

মেমিউ

জীৱনটো হৈছে এক উত্তৰবিহীন প্ৰশ্ন।

এমাৰছন

# কৃষকৰ সপোন

ৰিতুমণি মাৰ্ডিং
পঞ্চম ষাণ্মাষিক

এই যে শাওণ মাহ আহিল,
আহিল বৰষুণৰ বাণী ।
মেঘে লৈলে ধৰেৰৰ ওৰণি
সলনি হ'ল যেন ধুনীয়া ধৰণী ।

ব্যস্ত হৈ পৰিল কৃষক,
ৰচিলে সোণালী সপোন
এক আশাৰ সপোন,
সোণগুটি চপোৱাৰ সপোন ॥



তাৰ বাবে শস্য সিঁচিব,
ৰুব, তুলিব, সেউজী কৰিব পথাৰ
আৰু ....! আৰু কত যে কি ... ?
উফ ! কি যে ভাল লগা
এই সময়,

কি যে ভাল লগা এই সপোন
এক অপৰিসীম সুখ
এমন তৃপ্তিভৰা সুখ
হয়ে যে এক কৃষকৰ
আশাসুধীয়া বাস্তৱ সপোন ॥

# হে শাৰদী ৰাণী

শিল্পীশিখা মহন
তৃতীয় যাণ্মাষিক।

হে শাৰদী ৰাণী
শীতৰ সেমেকা বাটেদি,
এমোকুৰা হাঁহিৰে আহি
জগাই দিয়া মোক
পুৱাতি নিশাৰ সপোন ভাঙি।

চূৰ্ণ কৰি নিয়া
মোৰ অহংকাৰ
আৰু মিছা অভিমান,
বতাহত বিয়পাই দিয়া
তোমাৰ ভালপোৱাৰ গুণ-গুণনি
যাৰ পৰশত প্ৰাণ পাই উঠিক।

মোৰ হেৰুৱা সপোনৰ জিলমিল জোনালী
উৰ্বৰা কৰা মোৰ হৃদয়খনি
নিয়ৰেৰে উপচাই দিয়া
মোৰ আশাৰ সেউজীয়া ঘাঁহনি
শেৱালি জোপাৰ তলত বহি
মই বাট চাই ৰম শাৰদী ৰাণী ॥

# শিক্ষাগুৰু

শ্ৰী পল্লৱী চেতিয়া
স্নাতক পঞ্চম ষাণ্মাসিক

পোহৰৰ বাটি দেখুৱাওঁতা তুমি
হে জ্ঞানৰ পূজাৰী
অজ্ঞানতাৰ বিনাশ কৰি জ্ঞানৰ দিশে চলি
মেলি দিলা হে গুৰু জ্ঞানৰ দুহাত তুমি;
যাওঁ আজি আগুৱাই পোহৰৰ বাটেৰে
তোমাৰ চৰণ স্পৰ্শ কৰি,
পিতৃ-মাতৃৰ পিছতেই তোমাৰেই স্থান
তোমাৰ অবিহনে যেন সকলো অন্ধকাৰ;
জ্ঞানৰ ভিক্ষাৰী আমি কৰা আমাক দান
তোমাৰ জ্ঞানেৰে আমাক কৰা উদ্ধাৰ
হে গুৰু প্ৰণামো তোমাক।।



# শিৱসাগৰ


শ্ৰী প্ৰীতিমণি বৰুৱা
স্নাতক তৃতীয় ষাণ্মাসিক

শিৱসাগৰ শিৱসাগৰ কি যে অতুলন ৰূপ
এই চহৰৰ, শিৱসাগৰ বৰপুখুৰী
স্ফটিকৰ ধাৰ যেন পানী
আহোম ৰাজত্বৰ গৌৰৱ চানেকী,
পাৰতে জিলিকি আছে বিষ্ণু দ'ল, দেৱী দ'ল
শিৱদ'লৰ সোণৰ কলচী
স্থাপত্য ভাস্কৰ্য্যৰ অপূৰ্ব কীৰিতি,
তলাতল, ৰংঘৰ অলপ নৈলেই পাবা,
আৰু এটি সাগৰৰ দৰে
নীলা জয়সাগৰ
জয়া'লে জয়ৰ ঘোষণা কৰে
মহাসতী জয়মতী আহোম ৰাণী
নিজকে উচৰ্গি ৰাখি গ'ল অপৰ চানেকী।।
অতীতৰ সোণালী পাত
আজি শিৱসাগৰত উৰে বিজয় পতাকা
শিক্ষা সংস্কৃতিৰ সোণালী পাম
এই চহৰতে আছে।।

# "মা"

শ্ৰী প্ৰীতিমণি বৰুৱা
স্নাতক তৃতীয় ষান্মাসিক


"মা" কি যে মধুৰ শব্দ
আৰ সমান কোনো নাই
এই পৃথিৱীত,
"মা" তুমিয়ে মোক তুলি-তালি
কৰিলা ডাঙৰ
তুমিয়ে মোক দেখুৱালা এই
পৃথিৱীৰ ৰং-ৰহস্য।
"মা" তোমাৰ বাবেই দেখা পালো
ধৰণীৰ অপৰূপা সৌন্দৰ্য,
"মা" তুমিয়ে মোৰ; অসীম আকাশৰ
শুভ্ৰ জোনাক।
"মা" তুমিয়ে মোৰ, আশা-আকাংক্ষা
এখনি বিশাল সম্ভাৰ;
"মা" কেৱল তুমিয়েই মোৰ
চিৰ চেনেহী জননী
দৰাচলি "মা" তুমিয়েই মোৰ
শত জনমৰ
আৰাধ্য সোঁৱানী।।



# নাৰী


শ্ৰীমতী পৰিস্মীতা দিহিঙীয়া
প্ৰথম ষাণ্মাসিক

নাৰী তুমি অনন্যা
ইতিহাসৰ সোণোৱালী পৃষ্ঠাসমূহ বিৰিঙিছিল কম
তোমাৰ বীৰত্বৰ পাখি,
কিন্তু সহজ হয় জানো, এক নাৰীৰ জীৱন?
সংগ্ৰামেৰে নহয় জানো তোমাৰ জীৱন
নিজ সতীত্বৰ বাবে যুঁজ দিয়া
তুমি যে এক অনন্যা যুদ্ধা
যুগে যুগে তোমাৰ ওপৰত হোৱা
কত যে নিৰ্যাতন, অন্যায়বোৰ নেওচি
আগুৱাই যোৱা,
তুমি যে নাৰী অনন্যা।
নাৰী তুমি মমতাময়ী:
সকলো দুখ কষ্ট পাহৰি
জীৱন যুদ্ধত জয়ী হোৱা
নাৰী তুমি অনন্যা।



# এটি সপোন

অচিন বাটত তোমাক দেখি
আৰ পালে সপোনবোৰ,,
হাতত নাহে পিছলি যায়
পলকতে সময়বোৰ ।।
তোমালৈ ফুল লিখি ৰাখিছোঁ
মৰমৰ এখন চিঠি,,
হৃদয়ৰ কোঠাত বান্ধি ৰাখিছোঁ
আশাৰ সুতাৰে বান্ধি ।।
বলিয়া বতাহে নিয়ে উৰুৱাই
চঞ্চলিয়া এই মন,,
চালিব বিচাৰে তোমাৰ কাষ
উতলা হৃদয় মন ।।
এ জাকৰ মাজত বিষ আৰু তোমাক
হৃদয়ত তোমাৰ ছবি ৰাখি,,
দুটি নয়ন মোৰ ভমকে মাথোঁ
তোমাৰ কাষতে আছি ।।



ৰেশ্মামনি দাস
পঞ্চম ষান্মাষিক

# মা দুৰ্গা

মা দুৰ্গা
তুমি আহিলা
প্ৰতি বছৰৰ দৰে
এইবাৰো আহিলা
আমাৰ সকলোৰে মনত
শান্তি বিৰাজ কৰিবলৈ।
তুমি আহোতে
লগত লৈ আহা শৰতক
যি শৰতৰ
প্ৰতিতো পুষ্প শান্তিময়
এক আমোদজনক।
তুমি যেতিয়া আহা
তোমাক দৰ্শন কৰিবলৈ
সকলো নৰনাৰী
ব্যাকুল হৈ পৰে।
তুমি যেতিয়া
পুনৰ উভতি যোৱা
সকলোৰে মনত
পেলাই থৈ যোৱা
এক শোকৰ ছাঁ।



প্ৰিয়ংকা বৰঠাকুৰ
পঞ্চম ষান্মাষিক।

# ফাগুনৰ আশা ভৰা গান

শ্ৰীমতী দিপশিখা চাংমাই
স্নাতক তৃতীয় ষাণ্মাসিক

বসন্তৰ মাদকতা আঁতৰাই আগ্ৰাসী গ্ৰীষ্মৰ আগমন হ'ল
চিৰসেউজ পল্লৱত দানৱ গ্ৰীষ্মৰ আঁচোৰ
ধৰাশায়ী হ'ল কুসুম কোমল তনু
উস! ইমান গৰম।
আকাশৰ সুস্থিৰ আকুল আহ্বান
নামি আহা বৰষুণৰ গান
পাৰ ভাঙি বওক আশাৰ বান
ফাগুন তোমাক স্বাগতম ॥

আশাৰ পথাৰত সোণালী শইচৰ বীজ
ফাগুন তুমি অহাৰ বাবে
খেতিয়কৰ আশাই পজালি মেলিছে
সপোনৰ পখিলাজাক বুকুত নাচিছে
নকাই দিয়া ধাৰাসাৰ যৌৱন
জাগি উঠক উন্মত্ত যৌৱন
বিধ্বস্ত উঁৱালৰ জৰাজীৰ্ণ কুঠৰীত
আকৌ ভৰি উঠক সপোনৰ ধান
বৰা, জহা, আমনা অথবা সুৱাগমণি
তোমাৰ বৰষুণৰ ঐকতানত
নতুন উদ্যমেৰে গৰ্ভৱতী হওঁক পথাৰ
প্ৰাচুৰ্য্যে পৰিপূৰ্ণ কৰক নিঃস্বজনৰ হিয়া
সফলতাই মোহাৰি পেলাওঁক

দীনতা, হীনতা, অন্যায় - অনাচাৰৰ - বিভীষিকা -

o o o o
o o o o

তেতিয়াহে - হয়তো ....

শান্তিৰ - কপৌজাক - আকাশত - উৰিব -
মানৱ - বক্ষত - শোভিত - হ'ব -
প্ৰেম - আৰু - মানৱতাৰ - জয়গান ।।

* * * *

## বন্ধু


শ্ৰী - ৰেশ্মাৰাণি দাস -
পঞ্চম - ষাণ্মাসিক -

বন্ধু তোক - কোনো যন্ত্ৰে - জুখিব - নোৱাৰি -
সুখৰ - লগত - থাকি - দুখতো - সমভাগী;
প্ৰতিটো - পুৱাৰ - সেই - খেমালিৰে - আৰম্ভণি -
আবেলিৰ - দেউতাৰ - চিতিপীন দেখি -
দুৰন্ত - গৌৰৱ - ভাগীদাৰী - ।
লাহে - লাহে - সময় - বৈ গ'লে
আমাৰ - মাজৰ - সময়খিনি,
সময়ৰ - লগত - হেৰাল পুৰণি - দিনৰ - খেমালী ।
আশা - আৰু - হাঁহিৰে -
আশা - কৰো - সদায় - থিৰ - থাকু -
আমাৰ - মাজৰ - সেই - সোঁৱৰণি,
আহিবলগীয়া - সময়বোৰ - যেন
হয় সোণোৱালী - ।।



# জীৱন

জয়শ্ৰী বৰগোঁহাঁই
তৃতীয় ষান্মাষিক



জীৱন মানে এটা জটিল আঁশৰ-
পোৱা নোপোৱাৰ তুমুল সংঘৰ্ষ,
আশাৰ আকাশ মনত ক'লা ডাৱৰৰ কলংক দেখি
হৃদয় মনে বাৰে বাৰে শোক আধে—

ক'ত মোৰ আশাৰ সপোন ?
বুকুৰ মাজত সযতনে সাঁচি থোৱা
অলেখ স্বপ্নবোৰে এতিয়া
কলৰৱ তোলে .....

নাইও হেৰুৱাৰ আনন্দ, বেদনাবোৰে
শত সহস্ৰভাৱে প্ৰশ্ন কৰে—
হ'ব জানো তোমাৰ সপোনবিলাক বাস্তৱ ?
কিন্তু ইয়াৰ যে কোনো উত্তৰ নাই .....


সৰু বুলি কাকো অৱহেলা নকৰিবা, [illegible] সৰু বুলি ভবা বস্তু এটাই কেতিয়াবা বিৰাট সত্যৰ সন্ধান দিব পাৰে।

—> গ্যেটে।

# শব্দ

শ্ৰী মতী নিকিতা চাংগ
পঞ্চম ষান্মাসিক

শব্দৰ পাহাৰত দৌৰা
সকলো আমি মানুহ;
শব্দক এক কল্লোলিত নদী
এই শব্দৰ পাৰ ভাঙি দিব মোৰা;
এই নদীৰ পাৰত সকলো
আমি অক্লান্ত পথিক
নদীয়ে কথা কয়,
নদীয়ে গীত গায়,
নদীয়ে গঢ়ি তোলে
এখন সভ্যতাৰ সুউচ্চ স্তম্ভ.




নদীয়ে নাজানে . . .
কোন নাৰী, কোন পুৰুষ?
নদীয়ে আমাক দি যায় কল্লোলিত
শব্দৰ সুৰৰ সম্মুখলৈ
আহ্বান দি যায় সকলোকে
বন্যা, আমাক আগুৱাই বন্যা,
সকলো আমি হাতে হাতে ধৰি
যুগে যুগে গঢ়ি উঠে
মানৱ আত্মমনাৰ মাজে
সভ্যতাৰ গতি ।।

# অধৰুৱা স্মৃতি

পূজা ফুকন
পঞ্চম ষাণ্মাসিক

তোমাৰ স্মৃতিবোৰ লিখি লিখি
কলমৰ চিয়াঁহী শেষ কৰিছো
তিনি বছৰৰ পুৰণি প্ৰেম
যাক মই মোৰ হৃদয়ত উচ্চ স্থান দিছিলো ।



ধেমালীৰ কাজিয়াবোৰ মনত পেলাই
কত যে কিমান তোমাৰ নামত
অভিমান কৰিছিঁলো
মাজে মাজে হাঁহিছিঁলো
আৰু মাজে মাজে কান্দিছিঁলো ।

তুমি সময়ৰ লগত বাটৰ সলাইছা
মই আমাৰ স্মৃতিবোৰ হৃদয়ত
জীপাল কৰি তুলিছো ।
বিশ্বাস কৰা
মই জীয়াই আছো ..........
তোমাৰ স্মৃতি থাকে মানে মই জীয়াই আছোঁ ।

# শাওণৰ বতৰ

মৌৰী বৰুৱা
স্নাতক পঞ্চম ষাণ্মাসিক

দিনটো উৎকট গৰম,
আবেলি দেখিলোঁ আকাশত কলীয়া ডাৱৰৰ লৰা-লৰি
যেন আমি খেলা লুকা-ভুই
ৰিব্ ৰিব্ বলিছে বতাহ আৰু বলিছে বতাহ জোৰেৰে,
তাৰ পিছত বৰষুণ, পাতনি - বেৰেকণিৰে।
এই যে বৰষুণ দিলে, গোটেই ৰাতিটো
ৰাতিপুৱা সাৰ পাই দেখোঁ, পথাৰসমূহ পানীৰে উপচাৰ।
লাহে লাহে পানী বাঢ়ি হ'ল বানপানী
আমাৰ ঘৰৰ বাৰীওত দেখিলোঁ পাকৰাৰ লানি।
মোৰ লগৰীয়া ডুনা, ৰাজা, টিকু, কানুহঁতে
সাজিলে কলৰ ভূৰ,
তাতে উঠি নাচি-বাগি আমি
গলোঁ বহুদূৰ।
পানী ওকাই পথাৰ ওলাল
মনত লাগিল হুম,
কৃষকসকলে খেতি কৰিবলৈ
বাহুত পালে জোৰ।
কৃষকসকল পথাৰত নামিল মাৰি লৈ গোন্ধ
মোৰ নাকত লাগিল
অসমৰ কেঁচা মাটিৰ গোন্ধ।

